# অসমীয়া বোলছবিৰ খ্যাতনামা অভিনেতা বিজয় শঙ্কৰৰ লগত এটি সন্ধিয়া



প্ৰঃ—কোনখন ছবিত আপুনি প্ৰথমে অভিনয় কৰিবলৈ সুবিধা পালে ? কেনেকৈ ?

উঃ—ইয়াৰ উত্তৰত বহুত কথাই কব লাগিব ; সংক্ষেপে কবলৈ গলে তোমালোকে জনা মতে মই সৰুৰে পৰা এতিয়ালৈকে সদায় সঙ্গীতত প্ৰাধান্য দি আহিছো। ১৯৫৪ চনত দিল্লীত অনুষ্ঠিত হোৱা প্ৰথম আন্তঃ বিশ্ববিদ্যালয় যুব মহোৎসৱৰ কাৰ্য্য-সূচীত বাদ্যযন্ত্ৰী হিচাবে যোগদান কৰিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা নিৰ্ব্বাচিত হওঁ। বেহেলা বাদক হিচাবে উক্ত মহোৎসৱত প্ৰতিযোগিতাত নমাৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা নিৰ্ব্বাচিত হোৱা লোক নৃত্য আৰু নাটকৰ উপৰিও অনাতাঁৰ নাটক প্ৰতিযোগিতাত মৰমৰ ভূপেনদাৰ "এৰাবাটৰ সুৰ'ত আৱহ সঙ্গীতত অংশ গ্ৰহণ কৰিছো। ১৯৫৬ চনত ভূপেনদাই সেই "এৰাবাটৰ সুৰ"ক চিত্ৰ ৰূপ দিবলৈ লৈ নায়ক জয়ন্তৰ চৰিত্ৰটি অভিনয় কৰিবলৈ হঠাতে মাতি পঠিওৱাত বৰ আচৰিত হৈছিলো—দোমোজাত পৰিছিলো—এই প্ৰতিভা জানো মোৰ মাজত আছে ?

প্ৰঃ—সমাজ পৰিবৰ্ত্তনত অভিনেতা এজনৰ আৱশ্যকতা কিমানখিনি ?

উঃ—সমাজ পৰিবৰ্ত্তনত অভিনেতা এজনৰ আৱশ্যকতাতকৈ অভিনেতাই ৰূপ দিয়া চৰিত্ৰটিৰ বক্তব্যখিনি এখন সমাজৰ বাবে বেছি আৱশ্যক। বিশেষ একোটা চৰিত্ৰৰ সমাজৰ প্ৰতি থকা বক্তব্যখিনি সুন্দৰ আৰু নিখুঁতকৈ প্ৰকাশ কৰিব পাৰিলেহে এজন অভিনেতা সমাজৰ বাবে আৱশ্যক হব পাৰে।

পৰিচালকে লোৱা কাহিনী আৰু কাহিনীৰ উপস্থাপনৰ ওপৰতো সমাজ পৰিবৰ্ত্তনত এজন অভিনেতাৰ আৱশ্যক অনাৱশ্যক নিৰ্ভৰ কৰে। সেয়েহে যিকোনো কাহিনী আৰু কাহিনীৰ চৰিত্ৰাৱলী ৰূপ দিবলৈ অলপ কুণ্ঠা বোধ কৰো।

প্ৰঃ—এজন ভাল অভিনেতা হবলৈ হলে কি কি গুণৰ আৱশ্যক ?

উঃ—মানৱ জীৱন আৰু মানৱ সমাজৰ চিৰাচৰিত কাৰ্য্যাৱলীক মানৱীয় অভি-ব্যক্তিৰে সুক্ষ্ম দৃষ্টি ভঙ্গিৰে বিশ্লেষণ কৰিব পৰা শক্তিটোৱেই এজন সুঅভি-নেতাৰ প্ৰধান সম্বল আৰু প্ৰতিভা বিকাশৰ নিজস্ব প্ৰতিষ্ঠান। সেয়েহে কাৰোবাক ভাল অভিনেতা হবলৈ অনুপ্ৰাণিত কৰিবলৈ কৈ কম—Read as many books as you can, see as many places as you can and meet as many people as you can.

প্ৰঃ—মঞ্চৰ সু-অভিনেতা এজনে কথাছবিত সু-অভিনেতা হব পাৰে নে নোৱাৰে ?

উঃ—নিশ্চয় পাৰে। মঞ্চৰ অভিনয় আৰু চালচলনৰ কৌশলৰ অভ্যাসক বাদ দি কেমেৰাৰ বিভিন্ন Lense ৰ সন্মুখত সীমিত পৰিবেশত আবদ্ধ থাকি পৰিচালকৰ নিৰ্দ্দেশানুযায়ী চৰিত্ৰৰ প্ৰতি লক্ষ্য ৰাখি নিজস্ব অনুভূতিক নিখুত ভাবে প্ৰকাশ কৰিব পাৰিলে মঞ্চৰ অভিনেতায়ো বোলছবিত কৃতকাৰ্য্যতা লাভ কৰিব পাৰে।

প্ৰঃ—ভাল কথাছবি এখন হবলৈ হলে অভিনেতা-অভিনেত্ৰীৰ বেছি আন্তৰিকতাৰ দৰ্কাৰ নে পৰিচালকৰ ?

উঃ—Film Making is a collective art—বোলছবি এখনৰ চিত্ৰনাট্যৰ বিভিন্ন চৰিত্ৰবোৰ পৰিচালকে কি ভাবে কল্পনা কৰিছে তাক প্ৰত্যেক অভিনেতা-অভিনেত্ৰীয়ে সঠিক আৰু পৰিস্কাৰ ভাবে উপলব্ধি কৰি ৰূপ দিয়াতেই অভিনেতা আৰু অভিনেত্ৰীৰ আন্তৰিকতাই এখন বোলছবিৰ সফলতাৰ বিশেষ অংশ হিচাবে দাবী কৰিব পাৰে।

প্ৰঃ—অভিনেতা এজনে অভিনয়েৰে সমাজক কি দিব পাৰে ?

উঃ—চমুকৈ কবলৈ হলে অভিনয়েৰে বিভিন্ন চৰিত্ৰৰ অভিনেতাই সমাজৰ ভাল বেয়াখিনি আঙুলিয়াই শুদ্ধ পথৰ ইঙ্গিত দিয়ে।

প্ৰঃ—অসমীয়া বোলছবি শিল্পৰ উন্নতিৰ বাবে আপুনি কিহৰ অভাৱ বুলি ভাবে ?

উঃ—সুস্থ ও পেচা নিৰ্ম্মাতা আৰু প্ৰয়োজনীয় বজাৰৰ অভাবেই অসমীয়া বোলছবি শিল্পৰ প্ৰধান অন্তৰায়। বৰ্ত্তমান অসমত ষ্টুডিঅ'টো হোৱাৰ বাবে অসমীয়া ছবি নিৰ্ম্মাণৰ আগৰ আহুকলীয়া অসুবিধাবোৰ নিশ্চয় দূৰ হব। অসমৰ বোলছবি উন্নয়ণৰ বাবে অসম চৰকাৰে গঠন কৰা বোলছবি বিত্তনিগম ( Film Finance Corporation ) ৰ জৰিয়তে সুস্থ প্ৰযোজকক উৎসাহ যোগোৱাৰ লগতে প্ৰয়োজনীয় বজাৰ আৰু পৰিবেশনৰ দায়িত্ব চৰকাৰে

নিজে লব লাগিব। ইয়াৰ উপৰিও বোলছবিৰ বিভিন্ন দিশত আগ্ৰহী আৰু শিক্ষিত যুৱক যুৱতীয়ে নিজৰ প্ৰতিভা প্ৰকাশ কৰিবলৈ আগবাঢ়ি অহাটো বাঞ্ছনীয়। এই ক্ষেত্ৰত অসমীয়া বোলছবিত অভিনেত্ৰীৰ অভাৱ অসমৰ দৰ্শকে নিশ্চয় কিঞ্চিত উপলব্ধি কৰিছে।

মন্তব্য — .

অভিনেতা হিচাবে অভিনয় ক্ষেত্ৰত এতিয়াও ছাত্ৰ হৈ আছো। আৰ্য্য বিদ্যাপীঠৰ ছাত্ৰ-ছাত্ৰীসকলৰ মৰম শুভেচ্ছা আৰু ৰাইজৰ আশীৰ্ব্বাদ থাকিলে আগলৈ বোলছবি আৰু সঙ্গীতৰ মাজেৰে অসমক সেৱা কৰাৰ আশা ৰাখিলো। শেষত "এৰিয়ান"ৰ উত্তৰোত্তৰ উন্নতিৰ কামনা কৰি আন্তৰিকতা আৰু শুভেচ্ছাৰে—

— x —

## আকাশ বাণীৰ সুগম সঙ্গীতৰ গায়ক সঙ্গীত পৰিচালক জয়ন্ত হাজৰিকাৰ লগত এখন্তেক



প্ৰ:—আপুনি গান গোৱাৰ প্ৰেৰণা ক'ৰ পৰা পালে ? কেতিয়াৰ পৰা আপুনি গান গাবলৈ আৰম্ভ কৰিছে ?

উঃ—প্ৰেৰণা—

একে কথাত মোৰ জন্ম সুৰৰ কোলাত যেনে—স্বৰ্গগতা মা-দেউতা, আইতা তেখেতসকল সুৰদী সুৰীয়া আছিল আৰু জানেই মোৰ অগ্ৰজ ভুপেনদা—ইয়াৰ উপৰিও মই লৰালিৰ পৰাই প্ৰকৃতিৰ সৌন্দৰ্যক ভাল পাইছিলো, তেতিয়া নাজানিছিলো "প্ৰেৰণা" কি এতিয়া বুজোঃ—

প্ৰ:—বিশ্ব সাংস্কৃতিৰ মজিয়াত কোন দেশৰ গীতক আপুনি প্ৰথম স্থান দিব ? অসমীয়া গীতে সেই সাংস্কৃতিৰ মজিয়াত কেনে স্থান লাভ কৰে ?

উঃ—গীত মোৰ আশা ! ভাষা ঃ ইয়াত দেশী-বিদেশী গীত বুলিবলৈ নাই—"গীত সদায় গীতেই ।"—

প্ৰঃ—অসমত এতিয়ালৈকে কোনো গীতৰ প্ৰশিক্ষণ কেন্দ্ৰ চৰকাৰে গঢ়ি তোলা নাই । এনে প্ৰশিক্ষণ কেন্দ্ৰ এটা গঢ়ি তুলিবলৈ হলে আপুনি কেনে ধৰণৰ অৰিহণা যোগাব ?

উঃ—অসমত প্ৰাথমিক সঙ্গীতৰ কোনো অনুষ্ঠান নাই যদিও দুই এখন মহাবিদ্যালয়

আছে, কিন্তু তাৰ পৰা আনি একো পোৱা নাই ‧ অদূৰত যদি পৰিকল্পিত তেনে অনুষ্ঠান গঢ়ি উঠে তেতিয়া মই মোৰ সেৱা কেনেদৰে আগবঢ়াম— সময়ে কব ।

প্রঃ—দেহ বিচাৰ গীত আৰু লোক গীতৰ সুৰৰ মাজত কিবা পাৰ্থক্য আছেনে নাই ? যদি আছে, আপোনাৰ দৃষ্টিত কেনেকুৱা ?

উঃ—এই বিষয়ত সুৰৰ বেছি পাৰ্থক্য আছে বুলি নাভাবো কিন্তু এইটো সত্য যে দেহবিছাৰৰ গীতত বিশেষকৈ মানৱ দেহাৰ সবিশেষ বৰ্ণোৱা হয় লোক গীতিৰ ধাৰাত : আৰু লোকগীতে জনসমাজৰ বিভিন্ন ছবি বিভিন্ন লয়-চন্দ আৰু ঐতিহ্য ৰাখি আহিছে—

প্রঃ—গান গালেই শিল্পী হয়নে ? শিল্পী হবলৈ হলে গান গোৱাৰ উপৰিও আন কিছুমান প্ৰতিভা থাকিব লাগে ?

উঃ—শিল্পী হওনে নহও নাজানো, বিশ্বাস কৰো—অকল গান, ছবি বা নায়ক নায়িকা হলেই শিল্পী হব নোৱাৰি—শিল্পী হবলৈ হলে তেনে এটি কোমল মন, ভাব আচাৰ-ব্যৱহাৰ আৰু সৰ্ব্বজনপ্ৰিয় হবই লাগিব ।

প্রঃ—অসমৰ কম বয়সীয়া সঙ্গীত পৰিচালক হিচাবে নতুন পুৰুষৰ ফালৰ পৰা আপোনাক আমাৰ অভিনন্দন জনাইছো । আপুনি সঙ্গীতৰ মাজেৰে আমাক কি নতুনত্ব দিব বিচাৰে ?

উঃ—"ধন্যবাদ"

কি কৰিছো দেখিছেই, শুনিছেই—এই মাত্ৰ আৰম্ভণী—আশা ৰাখিছো ভবিষ্যতকে ।

—×—

# ৰিহাৰ্চেল

পৰিচালক
দুলাল ৰয়

নাট এখন মঞ্চস্থ হোৱাৰ আগতে আমি তাক ভালদৰে ৰিহাৰ্চেল কৰোনে ? এই প্ৰশ্নৰ উত্তৰত আমি আটাইবিলাক নাট্যগোষ্ঠীয়ে সমান ভাবে দোষী । দোষ-- মুক্ত কোনোৱে হব পৰা নাই । নাটক এখনৰ সুস্থ মঞ্চৰূপৰ লগত ৰিহাৰ্চেলৰ সম্বন্ধ কি তাক নতুনকৈ ব্যাখ্যা কৰিব যোৱাটো মোৰ কাৰণে যুক্তিহীন কথা । ৰিহাৰ্চেল ভাল হলে নাটখনৰ মঞ্চৰূপো সাৱলীল আৰু বোধগম্য হয়, হোৱাটো খুবেই স্বাভাৱিক । কিন্তু ভ্ৰাম্যমান নাট্যগোষ্ঠী সমূহক বাদ দিলে এটা কথাইহে মাত্ৰ জল্ জল্ পট্ পট্ কৈ আমাৰ সমুখত ভাঁহি উঠে সেইটো হৈছে অব্যৱসায়ী নাট্যগোষ্ঠী সমূহৰ—"হব দিয়ক" বুলি কৰা মন্তব্য । হিন্দীত যিদৰে বহুতেই কথাই প্ৰতি 'চলেগা' বুলি কয় ঠিক সেই একেদৰে আমাৰ নাট্যশিল্পী সকলেও 'হবদিয়ক' বুলি কৈ আচল কামৰ পৰা অব্যাহতি লয় । প্ৰায়বিলাক নাট্য দলতেই 'পালজৰ'ৰ ফৰমূল্যা মানি চলা অভিনেতা শিল্পীৰ ভিৰ, হেঁচাঠেলা । বেচি ভাগ নাটকতে দেখা যায় পাৰ্ট মুখস্থ থাকে পৰিচালক আৰু স্মাৰকৰ—অভিনেতাৰ নহয় । 'শো'ৰ দিনা হয়তো ডাইলগ পাহৰি যোৱা কাৰণে স্মাৰককেই গালিশপনি পাৰিলে—এনে দৃষ্টান্তও আমাৰ ইয়াত অলেখ পৰি আছে । নাট্য দলসমূহৰ ক্ষেত্ৰতেই নহয়—এই বেয়া ৰোগটো স্কুল কলেজৰ ছাত্ৰছাত্ৰীৰ মাজতো বিয়পি পৰিছে । ৰাতাৰাতি নাটক লিখি নাট্যকাৰ হৈছে—গোটেই নিশা ৰিহাৰ্চেল কৰি শ্ৰেষ্ঠ পৰিচালক আৰু শ্ৰেষ্ঠ অভিনেতাও হৈছে । গতিকে আমাৰ বৰ্ত্তমান আৰু ভৱিষ্যত কি তাক নিশ্চয় উমান কৰিব পাৰিছে । 'নাই' টোক নাই বুলি কবলৈ আৰু থকাটোক সুন্দৰকৈ ব্যক্ত কৰিবলৈ আজি আমাৰ সৎ সাহসৰ অভাব । কিন্তু আৰু কিমান দিন এইদৰে চলিম । ইমানৰ পাচতো জানো আমি সজাগ হোৱা অনুচিত । দাঁতি-কাষৰীয়া ভাষা-ভাষীৰ উন্নতিৰ কথা চিন্তা কৰি "এতিয়াও আমি সাতামপুৰুষীয়া আছেটোকে বুকুত সুমুৱাই বাহ বাহ্ লব বিচাৰিম নে নতুন্ কিবা এটা চিন্তা-চৰ্চা কৰিম ? এনেবোৰ প্ৰশ্ন মনলৈ সঘনে আহি থকাৰ কাৰণতেই আজিৰ এই প্ৰবন্ধৰ সৃষ্টি । ৰিহাৰ্চেল কেনে হোৱা দৰ্কাৰ তাৰ বিষয়ে দুষাৰমান লিখি পঢ়ুৱৈ সমাজৰ মাজত কিহৰ আলোৰণ হয় তালৈ মোৰ ৰব বেছি কাণযাৰ নাই । কাৰণ প্ৰথমতে মই লেখক নহওঁ দ্বিতীয়তে মোৰ প্ৰকাশ ভঙ্গীকো সুষ্ঠ ৰূপত গঢ় দিব নোৱাৰো—আচলতে মোৰ পৰিচালক হোৱাৰহে ইচ্ছা । গতিকে এই আলোচনাও পৰিচালক এজনৰ দৃষ্টি ভঙ্গীৰেহে চাব বিচাৰিছো । ইয়াত কিবা ভুল ত্ৰুটি থাকিলে ক্ষমা নকৰি মোৰ সৈতে যেন আলোচনা কৰে ।

ৰিহাৰ্চেলৰ সময় চোৱাত পৰিচালক এজনৰ সৈতে অভিনেতাৰ নিবিড় সম্বন্ধ গঢ়ি উঠে। এজন অভিনেতাই অকল যে পৰিচালক জনৰ লগতেই সম্বন্ধ গঢ়িব এনে নহয় তেওঁ তেওঁৰ সহকৰ্মী আন আন অভিনেতা, কলা কুশলীবো সৈতে এটা ভাল সম্বন্ধৰ সৃষ্টি কৰিব লাগিব। প্ৰত্যেকেই এখন নাটকত এক নিৰ্দ্দিষ্ট লক্ষ্যৰ বাবে সাজু থাকিব আৰু সেই নিৰ্দ্দিষ্ট লক্ষ্যটোৱেই আনিব নাটকখনৰ প্ৰয়োজনীয় প্ৰকাশভঙ্গী। কিন্তু সুন্দৰ উপস্থাপনাৰ বাবে প্ৰয়োজন সুন্দৰ এক পৰিকল্পিত কো-অপাৰেটিভ প্ৰচেষ্টা। নাটকখনৰ সুস্থ মঞ্চৰূপ অভিনেতা, কলা-কুশলী আৰু পৰিচালকৰ আন্তৰিকতা, নিষ্ঠা আৰু দক্ষতাৰ সৈতে একেদাল সুতাৰেই সাঙোৰখাই পৰিব লাগিব। মুঠতে কথা হ'ল ৰিহাৰ্চেলৰ সময় চোৱাই আচল সময়: এই সময় চোৱাৰ সৎব্যৱহাৰ কৰিব নোৱাৰিলে নাটকৰ মঞ্চৰূপ কেতিয়াও ভাল হব নোৱাৰে—উপভোগ্য হোৱাটো অসম্ভৱ। নাট এখন মঞ্চস্থ কৰাৰ আগতে পাচটা বিভিন্ন স্তৰ আমি অতিক্ৰম কৰি যাব লাগিব। সেই কেইটা যেনে ধৰক—।

১। নাটখনৰ প্ৰকৃত অৰ্থ বা বক্তব্য কি তাক ভালদৰে আলোচনাৰ মাজেদি বিচাৰ কৰি উলিওৱা।

২। 'মুভমেণ্ট'—চৰিত্ৰ আৰু মূল বক্তব্যৰ সৈতে কেনে ধৰণে সম্বন্ধিত।

৩। চৰিত্ৰটোক ক্ৰমাৎ বিকাশৰ কাৰণে প্ৰস্তুত কৰিব লাগিব।

৪। যান্ত্ৰিক সামঞ্জস্য ৰাখি চিত্ৰাঙ্কণ হোৱা দৰ্কাৰ।

৫। সৰ্ব্বশেষত গোটেই নাটকখনৰ অভিনয় সাৱলীল গতি এটাত আনিবলৈ চেষ্টা কৰিব লাগিব!

(১) "নাটখনৰ প্ৰকৃত অৰ্থ বা বক্তব্য কি তাক ভালদৰে আলোচনাৰ মাজেদি বিচাৰ কৰি উলিওৱা।"

বিভিন্ন কলা-কুশলীক একগোট কৰি নাট এখন কৰিবলৈ লোৱা কামটো সচাকৈয়ে কঠিন। কাৰণ প্ৰতিজন শিল্পীৰেই আবেগ অনুভূতিৰ তাৰতম্য থাকে। সেইবুলি দহজনে দহটা পন্থা এখন নাটকৰ উপস্থাপনাত লব নোৱাৰিব। প্ৰত্যেকেই নাটখনৰ গুৰিয়াল অৰ্থাৎ পৰিচালকৰ সৈতে আলোচনা-বিলোচনা কৰি আগুৱাব লাগিব। সকলোৰে উদ্দেশ্য এটা হোৱা উচিত। সৰু পাৰ্ট বা ডাঙৰ পাৰ্ট নতুন অভিনেতা বা পুৰণি অভিনেতা এইবোৰ কথাই তাত স্থান পাব নোৱাৰিব। ৰিহাৰ্চেলৰ সময়তেই নাটখনৰ মূল বক্তব্যৰ কথা ভালদৰে বুজি আৰু চৰিত্ৰবোৰ পুঙ্খানুপুঙ্খৰূপে বিশ্লেষণ কৰি লব পাৰিব লাগিব।

মূল বক্তব্যটো নো কি তাৰ কথা জনাৰ কেইবাটাও উপায় আছে—যেনে ধৰক 'গ্ৰুপ ডিচকাচন।' এই গ্ৰুপ ডিচকাচনত পৰিচালক, অভিনেতা আৰু কলাকুশলীয়ে নিজৰ নিজৰ অভিমত দাঙি ধৰিব। কিন্তু ডিচকাচনত যোগদান কৰাৰ আগতে প্ৰত্যেকেই এবাৰ এবাৰ নাটকখন পঢ়ি চোৱা দৰ্কাৰ। কিন্তু পৰিতাপৰ কথা, আমাৰ বেছিভাগ অভিনেতা অভিনেত্ৰীয়ে নাট এখন মঞ্চস্থ হোৱাৰ দিনালৈ ভালদৰে পঢ়ি নেচায়। দায়িত্ব অকল পৰিচালকজনৰেই নহয়—এই দায়িত্ব সকলোৰে হোৱা উচিত। কাৰণ ই collective art. এজনৰ প্ৰচেষ্টাত নাট কেতিয়াও সুন্দৰ হব নোৱাৰে, তাৰ সমূহীয়া প্ৰচেষ্টাৰ নিতান্তই প্ৰয়োজন।

গ্ৰুপ ডিচকাচনৰ সময়তে নাটকখনৰ ভুল-চুক সকলো ধৰা পৰে আৰু যদি নট্যকাৰে সেই ভুল শুধৰাই দিব পাৰে তেন্তেটো খুবেই মঙ্গল। আমি পাহৰি যাব নেলাগিব যে নাটক এখনৰ জীৱনটো কেবল মঞ্চস্থ হোৱাৰ পিচতহে উপলব্ধি কৰ' যায়। নাটকৰ প্ৰতিটো লাইনেই প্ৰথম অৱস্থাত মৃত লাইন। যেতিয়ালৈ অভিনেতা অভিনেত্ৰীৰ মুখেৰে সেই সংলাপ শুনা নেযায় তেতিয়ালৈ সেই লাইনৰ কোনো মূল্য নাই। গতিকে সুস্থ আলোচনা এটাৰ খুবেই দৰ্কাৰ। আৰু ৰিহাৰ্চেলৰ প্ৰথম পদক্ষেপ হ'ল এই আলোচনা। এই আলোচনাতেই নাটখনৰ যি সালসলনি হোৱা দৰ্কাৰ তাক কৰি লব লাগিব। যিহেতু পৰিচালক এজন আছে তেখেতৰ

সম্পূর্ণ অধিকাৰ আছে যিকোনো পৰিবৰ্ত্তনকেই তেখেতে আলোচনাৰ মাজেদি আনিব পাৰে। মুঠতে পৰিচালকৰ নিৰ্দ্দেশনাত নাটকৰ মূল বক্তব্য, চৰিত্ৰৰ ব্যাখ্যা, ষ্টাইল, কালাৰ, ফৰ্ম, প্ৰডাকচন্ পচিবিলিটি আদিৰ কথা সকলোৱে বুজি লব লাগিব। এই কাম কেইবাটাও "ৰিডিং ৰিহাৰ্চেলৰ" মাজেদিহে সম্ভৱ হৈ উঠে। অভিনেতা এজনে নিজৰ পাৰ্টটোকে যে অকল পঢ়িব তেনে নহয়, নাটখনৰ আন আন পাৰ্টও তেওঁ পঢ়ি পৰিচালকৰ সৈতে এটা মুক্ত আলোচনাত যোগ দিয়াটো উচিত। এই ৰিডিং ৰিহাৰ্চেলতেই প্ৰতিজন শিল্পীয়ে ইজনে সিজনক বুজাৰ সুবিধা পায়। প্ৰত্যেকৰে মাজত বুজা বুজিৰ অভাৱ হলে পৰিচালকে নাটকখন কেতিয়াও সুস্থ অৱস্থাত কৰিব নোৱাৰে। 'কমন আন্দাৰ ষ্টেণ্ডিং'ৰ কাৰণে যেন সকলোৱে চেষ্ঠা কৰে--নাটকখনৰ 'ইণ্টাৰ প্ৰিটেশন' কি তাক যেন সৰ্ব্বসম্মতিক্ৰমে মানি লয় আৰু প্ৰতিজন অভিনেতাই নিজৰ নিজৰ চৰিত্ৰটোৰ "বেচিক মটিভেটিং দিজায়াৰ' ( Basic motivating desire ) মূল বক্তব্যটোৰ সৈতে কেনেভাৱে সাঙোৰ খাই আছে তাৰ কথা অনুসন্ধান কৰিব লাগিব। ৰিহাৰ্চেল পুৰাদমে আৰম্ভ হোৱাৰ আগতেই এই প্ৰচেষ্টা হাতত লোৱা উচিত। 'ৰিডিং ৰিহাৰ্চেলৰ' কোনো নিৰ্দ্ধাৰিত সময় নাই। অভিনেতা পৰিচালকৰ অৰ্হতা, ক্ষমতা বুদ্ধি প্ৰখৰতাৰ ওপৰতহে এই সময়চোৱা নিৰ্ণয় কৰি লোৱা সম্ভৱ।

(২) মুভমেণ্ট : চৰিত্ৰ আৰু মুল বক্তব্যৰ সৈতে কেনে ধৰণে সম্বন্ধিত।

নাটখনৰ মূল বক্তব্য আৰু চৰিত্ৰৰ বিশ্লেষণ বুজি পোৱাৰ লগে লগে আমাৰ 'মুভমেণ্ট' বোৰো নক্সা আঁকি জ্যামিতিক গতিৰে ঠিক কৰি লওঁ। পৰিচালকে 'গ্ৰাউণ্ডপ্লেন' টো সকলো শিল্পী কলা-কুশলীকে ভালদৰে বুজাই দিয়ে। অৱশ্যে তাৰ আগতে পৰিচালকজনে দৃশ্য সজ্জা যিজন ব্যক্তিয়ে কৰিব তেওঁৰ সৈতে খৰচি মাৰি আলোচনা কৰি লব লাগিব। এই সময় চোৱাত আমি এটা মডেল বা স্কেল ড্ৰইংৰ ব্যৱহাৰো কৰিব পাৰো। প্ৰৱেশ আৰু প্ৰস্থান কোন ফালেদি হোৱা দৰ্কাৰ তাৰ কথা এই গ্ৰাউণ্ডপ্লেনতেই সুন্দৰকৈ অঁকা থাকিব। দৃশ্য সজ্জাৰ মডেলত কোন ফালেদি খটখটি, চকি, মেজ লেভেল থাকিব সেইবোৰো সুন্দৰকৈ পৰিচালকে অভিনেতা আৰু কলাকুশলীক বুজাই দিয়া উচিত। নাটকৰ প্ৰতিটো পাতৰেই বাওঁফালে নিলিখা অঞ্চলত এই গ্ৰাউণ্ডপ্লেনটো আঁকি তাত মুভমেণ্টবোৰ কাঠপেন্সিলেৰে লিখি ললে ভাল হয়। এই মুভমেণ্ট এবাৰ ফাইনেল হোৱাৰ পিচত অভিনেতা অভিনেত্ৰীয়ে পাহৰি যাব নেলাগিব। পৰিচালকে নাটকৰ প্ৰকৃত অৰ্থ 'মটিভেটিং ডিজায়াৰ' আৰু কম্পোজিচনেল পেটাৰ্নৰ সংযোজনাতহে কৰিব—গতিকে অভিনেতাই 'মুভমেণ্ট' বোৰক গুৰুত্ব আৰোপ নকৰিলে নচলিব। "Actor will be able to justify the movement in terms of the characters wants. Otherwise no movement has any season for being." প্ৰতিটো লাইনতেই একোটা মুভমেণ্ট অন্তৰ্নিহিত হৈ থাকে—যদিও কিছুমান অতিৰিক্ত মুভমেণ্ট পৰিচালকে নাটকখনৰ সুস্থ মঞ্চৰূপায়ণৰ কাৰণে পৰিকল্পনা কৰে। কথাটো খুবেই স্বাভাৱিক। কাৰণ অভিনেতাৰ বাবে কিছুমান Physical objective প্ৰয়োজন। এই objective বোৰ সুন্দৰকৈ চৰ্চা কৰি নললে দৰ্শকৰ মনত বাধাৰ সৃষ্টি হব পাৰে।

(৩) চৰিত্ৰ বিকাশ

ওপৰত উল্লেখ কৰা দুয়োটা কথাকেই মনত ৰাখি অভিনেতাই চৰিত্ৰটোৰ সুন্দৰ চিত্ৰাঙ্কণত মনোনিয়োগ কৰিব লাগিব। এই সময় চোৱাই অভিনেতা এজনৰ কাৰণে আচল সময়। এতিয়া তেওঁ এজন সৃষ্টিধৰ্ম্মী শিল্পী হিচাপে কাম কৰিব লাগিব। অভিনেতাজনে নতুন চিন্তা আবিস্কাৰ কৰি অনুসন্ধিৎসু দৃষ্টিৰে নতুন তথ্য গ্ৰহণ কৰি সুন্দৰ প্ৰকাশ ভঙ্গিমাৰ চৰিত্ৰটোক ঠিয় কৰাবলৈ চেষ্টা কৰিব লাগিব। নিজৰ অভিজ্ঞতাৰসৈতে চৰিত্ৰটোৰ অভিজ্ঞতা মিলাই চাব পাৰিব

লাগিব। নিজৰ ইমাজিনেটিভ শক্তিৰে চৰিত্ৰটোৰ বেক্‌গ্ৰাউণ্ড সম্পৰ্কে জানিবলৈ তাক বিকাশ কৰিব লাগিব। আৰু এই সময়চোৱাতেই অভিনেতা এজনে বাহিৰৰ পৃথিৱীখনত প্ৰতিদিনে ঘটি থকা ঘটনা-দুৰ্ঘটনা চৰিত্ৰ, চৰিত্ৰৰ আচাৰ-ব্যৱহাৰ, প্ৰকাশভঙ্গী আদিৰ কথা মন দি বুজিবলৈ চেষ্টা কৰিব লাগিব। অভিনেতা এজনে স্থিৰ কৰি লব লাগিব যে চৰিত্ৰটোৰ কাৰণে তেওঁ কি কি কৰিব—যেনে ধৰক, external manner of dress, of action,—এইবোৰে তেওঁৰ চৰিত্ৰটোকে বিশ্বাস জন্মাবলৈ সহায় কৰিব। ইয়াৰ পিচত তেওঁৰ 'business' সম্পৰ্কে সাবধান হোৱা উচিত। চৰিত্ৰটোক বিশ্লেষণ কৰাৰ মূলতে হৈছে business. কাৰণ doing is believing. অভিনেতা জনে চৰিত্ৰটোক বিশ্বাস কৰিলেহে সুন্দৰ প্ৰকাশ হব। এই কথাৰ উক্তিত এটা সৰু উদাহৰণ দিছো—অভিনেতা জনে চোলাৰ পকেটৰ পৰা ৰুমাল এখন উলিয়াই নাকটো মচিলে,—মেজত থকা প্লেটৰ পৰা বিস্কুট এখন আনি সৰু ল'ৰা এটিক খাবলৈ দিলে। এইবোৰ সৰু সৰু কাম যুক্তিৰে সৈতে কৰিব পাৰিলে দৰ্শকৰ মনত এখন সুন্দৰ প্ৰতিচ্ছবিৰ সৃষ্টি হোৱাটো সম্ভৱ। কিন্তু এইবোৰ business পৰিচালক আৰু অভিনেতাৰ মাজত বুজাবুজিৰ মাজেদিহে হব পাৰিব। ক'তো কেতিয়াও মাত্ৰাধিক্য হব নোৱাৰিব। আৰু 'বোচক্‌ মটিভেটিং ডিজায়াৰ' যাতে কোনো পধ্যেই বিলোপ নেপায় তাৰ খেয়াল ৰাখিব লাগিব। পাৰ্টটো পঢ়িলেই নহব তাক চিন্তাও কৰিব লাগিব, কাৰণ তেওঁৰ দায়িত্ব গধুৰ under meaning আৰু action impulse উলিয়াই চৰিত্ৰৰ basic motivating desire ৰ সৈতে যোগাযোগ স্থাপন কৰিব লাগিব। পাৰ্ট'টো মুখস্থ কৰিলেই নহব মুভমেণ্টো মুখস্থ কৰিব লাগিব। কিন্তু ৰিহাৰ্চেলৰ আগতে মুখস্থ কৰা বা 'শো'ৰ দিনালৈ মুখস্থ কৰি থকা প্ৰণালী এই দুয়োটাই অতি ভয়াবহ। দুয়োজন অভিনেতাই আচলতে আত্মকেন্দ্ৰিক আৰু আচল আলোচনাৰ পৰা বহু আতৰত থাকে। এনে ধৰণৰ অভিনেতাৰ পৰা নাটকৰ সুস্থ মঞ্চৰূপ কেতিয়াও হব নোৱাৰে। নাটকৰ bgsic spirit টোই এখেত সকলৰ কাৰণে লোপ পায়। নাটকখনৰ দলীয়গত প্ৰকাশ ভঙ্গীৰ বিষয়ে পৰিচালকৰ সৈতে আলোচনা বিলোচনা কৰাৰ পিচতহে অভিনেতা এজনে মুখস্থ কৰাৰ কথা চিন্তা কৰিব পাৰে। Accurate memorisation হোৱাটো অভিনেতাৰ প্ৰধান দায়িত্ব। নাট্যকাৰৰ ওচৰত তেওঁ ঋণী গতিকে truthful representation কৰিবলৈ তেওঁ আপ্ৰাণ চেষ্টা কৰিব লাগিব।

(৪) "যান্ত্ৰিক সামঞ্জস্য ৰাখি চৰিত্ৰাঙ্কন হোৱা দৰ্কাৰ"

ৰিহাৰ্চে'লৰ শেষৰ ফালে দৃশ্যসজ্জা, মঞ্চৰ বিভিন্ন সাজ-সৰঞ্জাম, ধৰক হাতত লোৱা বস্তু-বেহানি, মঞ্চত থকা চকী-মেজ ইত্যাদিৰ সৈতে অভিনেতা সকলৰ চিনাকী হৈ লোৱা খুবেই প্ৰয়োজন। লগতে পোহৰ নিয়ন্ত্ৰণ সম্পৰ্কেও অভিনেতাজনে জানি যোৱা ভাল নহলে সময়ত কোনোবাৰ মুখত পোহৰ পৰিব আৰু কোনোবাৰ মুখত হয়তো পোহৰেই নপৰিব। সেই একেদৰে সঙ্গীতৰ সৈতেও ৰিহাৰ্চে'ল কৰি ললে নাটকীয় মুহূৰ্ত্ত আৰু সুন্দৰ হৈ উঠিব পাৰে। মঞ্চত প্ৰতিটো বস্তু এনেধৰণে ৰাখিব লাগিব যাতে movement ৰ সময়ত কোনো বাধাৰ সৃষ্টি নহয় আৰু দৰ্শকৰো sight line নষ্ট নহয়। ৰূপসজ্জাও যাতে যথাৰ্থ হয় তালৈ অভিনেতাসকলে চকু ৰাখিব লাগিব। প্ৰতিটো পোচাকেই একোটা চৰিত্ৰৰ প্ৰতিচ্ছবি ; চৰিত্ৰ অনুযায়ী সাজ সজ্জা হলে নাটকৰ মূল বক্তব্য প্ৰকাশ কৰাত সুন্দৰ হয়। সেয়েহে পোহৰ নিয়ন্ত্ৰণ, সাজসজ্জা, দৃশ্য সজ্জা, সঙ্গীত, অভিনয়, পৰিচালনা এই আটাইবিলাকৰ মাজত এটা harmony ৰ সৃষ্টি হব লাগিব। মুঠতে ৰিহাৰ্চে'লৰ সময়তেই এড্‌জাষ্টমেণ্ট কৰিব লাগিব।

(৫) সৰ্ব্বশেষত গোটেই নাটকখনৰ অভিনয় সাৱলীল গতি এটাত আনিবলৈ চেষ্টা কৰিব লাগিব।

ফাইনেল ৰিহাৰ্চে'ল মানেই নাটকখনক সুন্দৰকৈ

গঢ়ি তোলা। এতিয়া আৰু কোনো ধৰণৰ পৰীক্ষা নিৰিক্ষা হব নোৱাৰিব—কাৰণ ইতিমধ্যে try and error method ৰ মাজেদি এই অৱস্থাত উপনিত হৈছো। এই সময়তেই final choise কৰি লব লাগিব। অভিনেতাৰ সাহস আৰু বুদ্ধিৰে সকলো ধৰণৰ adjustment কৰি লব লাগিব।

আনহাতেদি Timing আৰু Projection ৰ কথা পাহৰিব নেলাগিব। Timing মানেই Pace আৰু Rhythm লগতে Tempo কিদৰে ৰাখিব পাৰি সেই কথাও খেয়াল ৰাখিব লাগিব। প্ৰতিটো লাইন অভিনেতাৰ মুখেৰে প্ৰকাশ হৈ যোৱাৰ লগে লগে এই Tempo সৃষ্টি হয়। A sense of timing is most essential. Slow Tempo মানেই দৰ্শকৰ অসন্তুষ্টি আৰু fast tempo হলেও নাটকৰ মূলৰ বিকৃতি হোৱাৰ সম্ভাৱনা। গতিকে এই দুয়োটাকে balance ৰাখি কৰিব লাগিব। Monotonous হলেও বিপদ আৰু illogical coperession হলেও boring হোৱাৰ সম্ভাৱনা থাকে।


নতুন অভিনেতা অভিনেত্ৰীয়ে কোনো কোনো সময়ত আচল বক্তব্যটোকে বুজি পাওঁতে পলম কৰে— যাৰ ফলত গোটেই Rythm টো নষ্ট হৈ যোৱাৰ সম্ভৱনা। কমা, দাৰি, প'জ আটাইবোৰ সৎব্যৱহাৰ কৰিব জানিব লাগিব। সুন্দৰ Phrasing punctuation, emphasis, diction, pronounciation আৰু expression ৰ দৰ্কাৰ বোধ কৰিব লাগিব।

নাটক, দৃশ্যসজ্জা, চৰিত্ৰ আৰু দৰ্শক অনুযায়ী Timing ৰ হেৰফেৰ হব পাৰে—হোৱাটো খুবেই স্বাভাৱিক—সেই কাৰণে অতি সন্তৰ্পনে পৰিচালকৰ সৈতে আলোচনাত বহি আগবাঢ়ি যোৱাটো অতি দৰ্কাৰ।

Projection নাটকৰ আন এটি মূল কথা। দৰ্শকে প্ৰতিটো কথা শুনিব লাগিব—বুজিব লাগিব। একেটা Pitch তে দৰ্শকক শুনিবলৈ দিলেও ভুল কৰা হব।

অভিনেতাই যাতে চৰিত্ৰ অনুযায়ী মাত-কথা চাল-চলন কৰে তাৰ প্ৰতি নজৰ ৰাখিব। অভিনেতাৰ কাৰ্য্যই যাতে দৰ্শকৰ দৃষ্টি গোচৰ হয় সেইটোলৈ খেয়াল ৰাখিব লাগিব। চৰিত্ৰৰ motivating desire ৰ এটা যুক্তিমূলক প্ৰকাশ ভঙ্গী হব লাগিব। মুঠতে কোৱা কথখিনি যাতে দৰ্শকৰ কৰ্ণপাত হয় আৰু কৰা কামখিনি দৰ্শকৰ দৃষ্টি গোচৰ হয় তাৰ বাবে ৰিহাৰ্চেলতে অভ্যাস কৰি লব লাগিব। সেয়েহে Runthroughs ৰিহাৰ্চেলৰ প্ৰয়োজন।

—x—




এই নতুন শিতানটি আমাৰ মহাবিদ্যালয় আলোচনীত প্ৰথমবাৰৰ বাবে খোলা হৈছে । সম্পাদক হোৱাৰ পিচতে কিছু ছাত্ৰ-ছাত্ৰীয়ে মোৰ ওচৰত সমিধান বিচাৰি কৰা কিছু প্ৰশ্নৰে ।

এই শিতানটিৰে মই ছাত্ৰ-ছাত্ৰী সকলৰ মনৰ কথা দাঙি ধৰাৰ লগতে কলেজ কৰ্ত্তৃপক্ষৰ আগত ছাত্ৰ-ছাত্ৰীৰ মনৰ খবৰো মুকলিভাবে জনাবলৈ চেষ্টা কৰিছোঁ ।

পৰীক্ষামূলক ভাবে খোলা এই শিতানটিয়ে ছাত্ৰ-ছাত্ৰী সকলৰ লগতে কলেজ কৰ্ত্তৃপক্ষক যদি কিছু সহায় কৰে তাতেই এই শিতানটি খোলাৰ সাৰ্থকতা ।

—সম্পাদক—

মেনকা পাঠক (২য় বার্ষিক কলা)

প্ৰঃ—আমাৰ দেশত পশ্চিমীয়া দেশবোৰৰ দৰে স্ত্ৰী স্বাধীনতা এতিয়াও হোৱা নাই কিয় ?

উঃ—মহাত্মা গান্ধীয়ে কৈছিল—'স্ত্ৰী অবলা নহয়, সবলা।' বৰ্ত্তমান কালত আমাৰ দেশৰ স্ত্ৰী স্বাধীনতা আগতকৈ যথেষ্ট বাঢ়িছে। এটা সময়ত দিনৰ পোহৰত স্ত্ৰীয়ে নিজৰ স্বামীৰ আগতো মুখ উলিয়াব নোৱাৰিছিল। তাৰ তুলনাত আজিৰ যুগৰ নাৰীয়েতো বহুতেই পাইছে। অৱশ্যে আলীবাটত অৰ্দ্ধনগ্ন হৈ ঘূৰি ফুৰাটোক স্ত্ৰী স্বাধীনতা নোবোলে।

প্ৰঃ—আজিকালি কিছুমান অসমীয়া অশ্লীল কিতাপ বজাৰত দেখা যায়। সেইবোৰ কিতাপে অসমীয়া সাহিত্য বিকাশত অৰিহণা যোগাইছে বুলি আপুনি ভাবেনে ?

উঃ—তেনেবোৰ কিতাপ বেয়া কিতাপ বুলিয়েই ভাবো। বেয়া কিতাপে কোনো সাহিত্যৰ বিকাশত অৰিহণা যোগাব নোৱাৰে।

প্ৰঃ—নতুন পুৰুষৰ লক্ষ্য কি হোৱা উচিত ?

উঃ—নতুন দৃষ্টি-ভঙ্গি লৈ, নিজস্ব চিন্তাধাৰাৰে দুস্কৃতিৰ পৰা সমাজ আৰু সংস্কৃতিক ৰক্ষা কৰা।

প্ৰঃ—আপুনি সমাজৰ দুৰ্নীতিবোৰ আতৰাবলৈ সশস্ত্ৰ বিপ্লৱ বিচাৰে নেকি ?

উঃ—মাজে মাজে বিচাৰো।

ৰূপালী দেৱী (২য় বাৰ্ষিক কলা)

প্ৰঃ—অসমীয়া ভাষাটোৰ উন্নতিৰ হকে মোৰ নিচিনা অ-সাহিত্যিক সকলে কি কৰা উচিত ?

উঃ—পোনপ্ৰথমতে অসমীয়া ভাষাৰ কিতাপ, আলোচনী আদি কিনা উচিত।

প্ৰঃ—অসমীয়া সাহিত্যৰ শ্ৰেষ্ঠ উপন্যাসিকজন কোন ?

উঃ—নিঃসন্দেহে স্বৰ্গীয় বিৰিঞ্চি কুমাৰ বৰুৱা।

প্ৰঃ—'প্ৰেম' আৰু 'অনুৰাগৰ' মাজত কি পাৰ্থক্য ?

উঃ—সময়ত আপুনি নিজেই বুজিব।

প্ৰঃ—জীৱনত নিৰাশ হলেও মানুহে কিয় বাৰু আশাৰ পম খেদি ফুৰে ?

উঃ—বিখ্যাত ইংৰাজ কবি সমালোচক এজনে কৈছিল— Hope springs eternal in the human breast. কথাতে কয় মানুহ 'আশাবাদী জীৱ'।

তৰুণকৃষ্ণ গোস্বামী (২য় বাৰ্ষিক বিজ্ঞান)

প্ৰঃ—বৰ্ত্তমান ভাৰতীয় শিক্ষা-পদ্ধতিয়ে ছাত্ৰছাত্ৰী সকলৰ জীৱন গঢ়াত কিমানদূৰ সহায় কৰিব বুলি ধাৰণা কৰে ?

উঃ—ঘুণীয়া শিক্ষাপদ্ধতিয়ে জীৱন গঢ়াত কিমান দূৰ সহায় হয় কব নোৱাৰো কিন্তু ভঙাত হলে বেচ সহায় হব বুলি ধাৰণা হয়।

## দিলীপ কুমাৰ দত্ত (২য় বার্ষিক বিজ্ঞান)

প্রঃ—আলোচনী সম্পাদক হোৱাৰ আগতে আপুনি আলোচনীখনৰ বিষয়ে কি ভাবিছিল আৰু সম্পাদক হোৱাৰ পাছত কি ভাবিছে।

উঃ—সম্পাদক হোৱাৰ আগত ভাবিছিলো সুন্দৰকৈ সজাই পৰাই এখন ধুনীয়া আলোচনী কৰিম কিন্তু সম্পাদক হোৱাৰ পিচত ছাত্রছাত্রীসকলৰ, গল্প, প্রবন্ধ আদি সংগ্রহৰ তিক্ততাই সকলো ভাবনা মষিমূৰ কৰিলে।

## জিতেন্দ্রনাথ শর্ম্মা (৩য় বার্ষিক বিজ্ঞান)

প্রঃ—দিনে দিনে শিক্ষিত নিবনুৱা বাঢ়ি গৈছে। গতিকে যদি আগবাঢ়ি অহা সকলক শিক্ষা লবলৈ দিয়া নহয় তেতিয়া এই নিবনুৱা সমস্যা কিছুদূৰ নকমিবনে ?

উঃ—কেতিয়াও নকমে। তেতিয়া সমস্যাটোৱে আৰু ভয়ঙ্কৰ ৰূপ লব।

প্রঃ—বর্ত্তমান চলি থকা শিক্ষা পদ্ধতিৰ আমূল পৰিবর্ত্তন আপুনি বিচাৰেনে ?

উঃ—অতি শীঘ্রে বর্ত্তমানৰ শিক্ষাপদ্ধতি ধ্বংস হোৱাটো বিচাৰো।

## ধীৰেণ কোঁৱৰ (প্রাক্ বিশ্ববিদ্যালয়, ২য় বার্ষিক বিজ্ঞান)

প্রঃ—বর্ত্তমান সময়ত এজন লৰাই অকল চাকৰি কৰাটোৱেই পঢ়া তথা ডিগ্রী লাভ কৰাৰ উদ্দেশ্য হিচাবে লৈ তেওঁ কি ভুল কৰে ?

উঃ—নিজকে ফাঁকি দিবলৈ শিকে।

প্রঃ—মানুহৰ অন্তৰত পশুত্ব কেতিয়া জাগে ?

উঃ—যেতিয়া নিজকে পাহৰি যায়।

## জাহিদূৰ ৰহমান (২য় বার্ষিক, বিজ্ঞান)

প্রঃ—যদি মই দেশৰ প্রধান মন্ত্রী হলোঁহেতেন তেনেহলে আত্মহত্যা কৰা একোজনলৈ একোটাকৈ মৰোনোত্তৰ পুৰস্কাৰৰ ব্যৱস্থা কৰিলোহেতেন। আপুনি বাৰু কি কৰিলেহেতেন ?

উঃ—আত্মহত্যা কৰিবলৈ নেদি জীয়াই ৰখাৰ ব্যৱস্থা কৰিলোহেতেন।

## যোগেশ বৰুৱা (৩য় বার্ষিক, বিজ্ঞান)

প্রঃ—আপোনাৰ মতে বক্তৃতা দিয়া, বক্তৃতা শুনা, আৰু বক্তৃতা সমর্থন কৰা, কোনটো টান কাম বাৰু ?

উঃ—গোটেই কেইটাৰে সত্যতাখিনি উপলব্ধি কৰাটো।

প্রঃ—নির্ব্বাচনত জয়ী হোৱা কাৰণে আপুনি বাৰু আমাৰ এবিয়ানৰ যোগে সাহিত্য সেৱাৰ সুযোগ পালে। নির্ব্বাচনত পৰাজিত হোৱা হলে আপোনাৰ এই আশা কিদৰে পুৰালেহেঁতেন ?

উঃ—মই নির্ব্বাচনত জয়ী হোৱা প্রাথী নহয়। কালেজত তিনিটা বাব পালো আজিলৈকে আপোনালোকে দেখো মোক নির্ব্বাচন খেলিবলৈ নেদি প্রত্যেক বছৰে সাহিত্য সেৱাৰ সুযোগ দি

আহিছে। শৈশৱতে মোক আমাৰ স্কুলৰ আলোচনী "অৰ্দ্ধবাৰ্ষিকে" সাহিত্য সেৱাৰ পথ দেখুৱাই দিছিল। তাৰ পিচত "আমাৰ প্ৰতিনিধি" ভূপেনদাই আকৌবাৰ্ষী হৈ মোক গল্প লেখক হবলৈ প্ৰেৰণা দিছিল। মোৰ ককাইদেউৰ সংস্কৃতিৰ বিষয়ে সকল কামত এখন উলিয়াই মোৰ ভুল সংশোধনো কৰিছিল। অৱশ্যে 'প্ৰতিধ্বনিৰ' যোগে মোৰ ভুল সংশোধন কৰাত বহুতখিনি সহায় পাইছো। তাৰ বাবে আপোনালোকৰ ওচৰত সদায়ে নই ঋণী হৈ থাকিম।

## ৰমনী ভড়ালী (৩য় বাৰ্ষিক, কলা)

প্ৰঃ—আজিৰ শিক্ষা ব্যৱস্থাই মানুহক কি দিছে ?

উঃ—ব্যাৱহাৰিক জীৱনত কামত নহা কিছুমান ডিগ্ৰীৰ পিচতে নিবনুৱা জীৱন এটা কিম্বা বিপ্লৱ।

প্ৰঃ—বৰ্ত্তমান ভাৰতৰ সৰ্ব্বশ্ৰেষ্ঠ কথাছবি পৰিচালকজন কোন ?

উঃ—নিঃসন্দেহে সত্যাজিত ৰায়।

## কৰুনা কলিতা (২য় বাৰ্ষিক, কলা)

প্ৰঃ—আপোনাৰ প্ৰিয় গল্প লিখকজন কোন ?

উঃ—নিৰোদ চৌধুৰীৰ গল্পই মোক বিশেষ ভাবে আকৰ্ষণ কৰে।

প্ৰঃ—নতুন পুৰুষৰ সঙ্গীত পৰিচালকৰ ভিতৰত কোনজন সঙ্গীত পৰিচালকৰ সঙ্গীত আপোনাৰ প্ৰিয় ?

উঃ—বৰ্ত্তমানৰ সঙ্গীত পৰিচালকৰ ভিতৰত জয়ন্ত হাজৰিকাই মোৰ সকলোতকৈ প্ৰিয়। তেখেতে পৰিচালনা কৰা সঙ্গীতত, অসমীয়া কৃষ্টিক চিৰযুগমীয়াকৈ ৰখাৰ আভাষ পাওঁ।

## নৱ কুমাৰ ভট্টাচাৰ্য্য (২য় বাৰ্ষিক, বিজ্ঞান)

প্ৰঃ—বৰ্ত্তমান আমাৰ দেশত দেখা দিয়া নিবনুৱা সমস্যাৰ অন্যতম কাৰণ ভুল শিক্ষা ব্যৱস্থা, অথবা ভুল সমাজ ব্যৱস্থা বুলি আপুনি ভাবেনে ?

উঃ—ভাবো, যদিও আন গুৰুতৰ কাৰণো আছে।

## মনোজ কুমাৰ গোস্বামী (প্ৰাক্ বিশ্ববিদ্যালয় ২য় বাৰ্ষিক, বিজ্ঞান)

প্ৰঃ—আমাৰ দেশত বৰ্ত্তমান সময়ত দেখা দিয়া দুৰাৱস্থাৰ বিৰুদ্ধে ছাত্ৰ সমাজে কি কৰা উচিত বুলি আপুনি ভাবে ?

উঃ—দেশৰ সামাজিক আৰু অৰ্থ নৈতিক পৰিবৰ্ত্তন সাধন কৰা।

প্ৰঃ—ভাৰতত ঘটি থকা ছাত্ৰ বিপ্লৱ আৰু গণ বিপ্লৱবোৰে কি সূচায় ?

উঃ—বৰ্ত্তমান শোষণকাৰীৰ হাতৰ পৰা দেশক কাঢ়ি আনিবলৈকেই এই বিপ্লৱ।

প্ৰঃ—ইন্দিৰাৰ "গৰীবী হটাও" নীতিয়ে নিঃসন্দেহে গৰীবী দুৰ কৰাৰ পৰিবৰ্ত্তে "গৰীব"হে দুৰ কৰা দৃশ্য সকলোৰে দৃষ্টি গোচৰ হৈছে। তাৰ পিচতো ইন্দিৰা চৰকাৰৰ পৰা আমি ভাৰতবাসীয়ে কিবা আশা কৰিব পাৰোনে ?

উঃ—সেই বিষয়ত আজিৰ জনতা সজাগ হৈছে, হোৱা দেখিছো; যেনে—বিহাৰ, গুজৰাট আদি।

প্ৰঃ—আমাৰ মহাবিদ্যালয়ৰ আলোচনীখন কিয় ঠিক সময়ত নোলায় ? উপযুক্ত সময়ত উলিওৱাৰ ব্যৱস্থা কৰিব নোৱাৰি নেকি ?

উঃ—সম্পাদকীয়ত এই বিষয়ে লিখিছো। পঢ়িব।

উঃ—ঘুণীয়া শিক্ষাপদ্ধতিয়ে জীৱন গঢ়াত কিমান দূৰ সহায় হয় কব নোৱাৰো কিন্তু ভৱাত হলে বেচ সহায় হব বুলি ধাৰণা হয়।

## দিলীপ কুমাৰ দত্ত (২য় বাৰ্ষিক বিজ্ঞান)

প্ৰঃ—আলোচনী সম্পাদক হোৱাৰ আগতে আপুনি আলোচনীখনৰ বিষয়ে কি ভাবিছিল আৰু সম্পাদক হোৱাৰ পাছত কি ভাবিছে।

উঃ—সম্পাদক হোৱাৰ আগতে ভাবিছিলো সুন্দৰকৈ সজাই পৰাই এখন ধুনীয়া আলোচনী কৰিম কিন্তু সম্পাদক হোৱাৰ পিচত ছাত্ৰছাত্ৰীসকলৰ, গল্প, প্ৰবন্ধ আদি সংগ্ৰহৰ তিক্ততাই সকলো ভাবনা মষিমূৰ কৰিলে।

## জিতেন্দ্ৰনাথ শৰ্ম্মা (৩য় বাৰ্ষিক বিজ্ঞান)

প্ৰঃ—দিনে দিনে শিক্ষিত নিবনুৱা বাঢ়ি গৈছে। গতিকে যদি আগবাঢ়ি অহা সকলক শিক্ষা লবলৈ দিয়া নহয় তেতিয়া এই নিবনুৱা সমস্যা কিছুদূৰ নকমিবনে?

উঃ—কেতিয়াও নকমে। তেতিয়া সমস্যাটোৱে আৰু ভয়ঙ্কৰ ৰূপ লব।

প্ৰঃ—বৰ্ত্তমান চলি থকা শিক্ষা পদ্ধতিৰ আমুল পৰিবৰ্ত্তন আপুনি বিচাৰেনে?

উঃ—অতি শীঘ্ৰে বৰ্ত্তমানৰ শিক্ষাপদ্ধতি ধ্বংস হোৱাটো বিচাৰো।

## ধীৰেণ কোঁৱৰ (প্ৰাক্ বিশ্ববিদ্যালয়, ২য় বাৰ্ষিক বিজ্ঞান)

প্ৰঃ—বৰ্ত্তমান সময়ত একন লৰাই অকল চাকৰি কৰাটোৱেই পঢ়া তথা ডিগ্ৰী লাভ কৰাৰ উদ্দেশ্য হিচাবে লৈ তেওঁ কি ভুল কৰে?

উঃ—নিজকে ফাঁকি দিবলৈ শিকে।

প্ৰঃ—মানুহৰ অন্তৰত পশুত্ব কেতিয়া জাগে?

উঃ—যেতিয়া নিজকে পাহৰি যায়।

## জাহিদুৰ ৰহমান (২য় বাৰ্ষিক, বিজ্ঞান)

প্ৰঃ—যদি মই দেশৰ প্ৰধান মন্ত্ৰী হলোঁহেতেন তেনেহলে আত্মহত্যা কৰা একোজনলৈ একোটাকৈ মৰোনোত্তৰ পুৰস্কাৰৰ ব্যৱস্থা কৰিলোহেতেন। আপুনি বাৰু কি কৰিলেহেতেন?

উঃ—আত্মহত্যা কৰিবলৈ নেদি জীয়াই ৰখাৰ ব্যৱস্থা কৰিলোহেতেন।

## যোগেশ বৰুৱা (৩য় বাৰ্ষিক, বিজ্ঞান)

প্ৰঃ—আপোনাৰ মতে বক্তৃতা দিয়া, বক্তৃতা শুনা, আৰু বক্তৃতা সমৰ্থন কৰা, কোনটো টান কাম বাৰু?

উঃ—গোটেই কেইটাৰে সত্যতাখিনি উপলব্ধি কৰাটো।

প্ৰঃ—নিৰ্ব্বাচনত জয়ী হোৱা কাৰণে আপুনি বাৰু আমাৰ এৰিয়ানৰ যোগে সাহিত্য সেৱাৰ সুযোগ পালে। নিৰ্ব্বাচনত পৰাজিত হোৱা হলে আপোনাৰ এই আশা কিদৰে পূৰালেহেঁতেন?

উঃ—মই নিৰ্ব্বাচনত জয়ী হোৱা প্ৰাৰ্থী নহয়। কালেজত তিনিটা বাৰ পালো আজিলৈকে আপোনালোকে দেখো মোক নিৰ্ব্বাচন খেলিবলৈ নেদি প্ৰত্যেক বছৰে সাহিত্য সেৱাৰ সুযোগ দি

আহিছে। শৈশৱতে মোক আমাৰ স্কুলৰ আলোচনী "আৰ্য্যবাণীখনে" সাহিত্য সেৱাৰ পথ দেখুৱাই দিছিল। তাৰ পিচত "আমাৰ প্ৰতিনিধিত" ভূপেনদাই আকোৱালী লৈ মোক গল্প লেখক হবলৈ প্ৰেৰনা দিছিল। মোৰ হতুৱাই সংস্কৃতিৰ বিষয়ে সক কাকত এখন উলিয়াই মোৰ ভুল সংশোধনো কৰিছিল। অৱশ্যে 'এৰিয়ানৰ' যোগে মোৰ ভুল সংশোধন কৰাত বহুতখিনি সহায় পাইছো। তাৰ বাবে আপোনালোকৰ ওচৰত সদায়ে মই ঋণী হৈ থাকিম।

## ৰমনী ভড়ালী ( ৩য় বাৰ্ষিক, কলা )

প্ৰঃ—আজিৰ শিক্ষা ব্যৱস্থাই মানুহক কি দিছে ?

উঃ—ব্যাৱহাৰিক জীৱনত কামত নহা কিছুমান ডিগ্ৰীৰ পিচতে নিবনুৱা জীৱন এটা কিম্বা বিপ্লৱ।

প্ৰঃ—বৰ্ত্তমান ভাৰতৰ সৰ্ব্বশ্ৰেষ্ঠ কথাছবি পৰিচালকজন কোন ?

উঃ—নিঃসন্দেহে সত্যাজিত ৰায়।

## করুনা কলিতা ( ২য় বাৰ্ষিক, কলা )

প্ৰঃ—আপোনাৰ প্ৰিয় গল্প লিখকজন কোন ?

উঃ—নিৰোদ চৌধুৰীৰ গল্পই মোক বিশেষ ভাবে আকৰ্ষণ কৰে।

প্ৰঃ—নতুন পুৰুষৰ সঙ্গীত পৰিচালকৰ ভিতৰত কোনজন সঙ্গীত পৰিচালকৰ সঙ্গীত আপোনাৰ প্ৰিয় ?

উঃ—বৰ্ত্তমানৰ সঙ্গীত পৰিচালকৰ ভিতৰত জয়ন্ত হাজৰিকাই মোৰ সকলোতকৈ প্ৰিয়। তেখেতে পৰিচালনা কৰা সঙ্গীতত, অসমীয়া কৃষ্টিক চিৰযুগমীয়াকৈ ৰখাৰ আভাষ পাওঁ।

## নৱ কুমাৰ ভট্টাচাৰ্য্য ( ২য় বাৰ্ষিক, বিজ্ঞান )

প্ৰঃ—বৰ্ত্তমান আমাৰ দেশত দেখা দিয়া নিবনুৱা সমস্যাৰ অন্যতম কাৰণ ভুল শিক্ষা ব্যৱস্থা, অথবা ভুল সমাজ ব্যৱস্থা বুলি আপুনি ভাবেনে ?

উঃ—ভাবো, যদিও আন গুৰুতৰ কাৰণো আছে।

## মনোজ কুমাৰ গোস্বামী ( প্ৰাক্ বিশ্ববিদ্যালয় ২য় বাৰ্ষিক, বিজ্ঞান )

প্ৰঃ—আমাৰ দেশত বৰ্ত্তমান সময়ত দেখা দিয়া দুৰাৱস্থাৰ বিৰুদ্ধে ছাত্ৰ সমাজে কি কৰা উচিত বুলি আপুনি ভাবে ?

উঃ—দেশৰ সামাজিক আৰু অৰ্থ নৈতিক পৰিবৰ্ত্তন সাধন কৰা।

প্ৰঃ—ভাৰতত ঘটি থকা ছাত্ৰ বিপ্লৱ আৰু গণ বিপ্লৱবোৰে কি সূচায় ?

উঃ—বৰ্ত্তমান শোষণকাৰীৰ হাতৰ পৰা দেশক কাঢ়ি আনিবলৈকেই এই বিপ্লৱ।

প্ৰঃ—ইন্দিৰাৰ "গৰীবী হটাও" নীতিয়ে নিঃসন্দেহে গৰীবী দুৰ কৰাৰ পৰিবৰ্ত্তে "গৰীব"হে দুৰ কৰা দৃশ্য সকলোৰে দৃষ্টি গোচৰ হৈছে। তাৰ পিচতো ইন্দিৰা চৰকাৰৰ পৰা আমি ভাৰতবাসীয়ে কিবা আশা কৰিব পাৰোনে ?

উঃ—সেই বিষয়ত আজিৰ জনতা সজাগ হৈছে, হোৱা দেখিছো ; যেনে—বিহাৰ, গুজৰাট আদি।

প্ৰঃ—আমাৰ মহাবিদ্যালয়ৰ আলোচনীখন কিয় ঠিক সময়ত নোলায় ? উপযুক্ত সময়ত উলিওৱাৰ ব্যৱস্থা কৰিব নোৱাৰি নেকি ?

উঃ—সম্পাদকীয়ত এই বিষয়ে লিখিছো। পঢ়িব।

ফৰিদা বেগম (৩য় বাৰ্ষিক, কলা)


প্ৰঃ—মানুহৰ প্ৰতিভাক লুকাই ৰাখিব পাৰি নে নোৱাৰি ?

উঃ—প্ৰতিভা জুইৰ আঙঠা। সঁচা প্ৰতিভা এদিন স্বৰূপ প্ৰকাশ পাবই—যি পৰিবেশতেই নহওক।

প্ৰঃ—আপুনি ৰাজনীতি মানে নে নামানে ?

উঃ—মই ৰাজনীতিক জীৱনদৰ্শন হিচাবে কেতিয়াও লোৱা নাই ; নলওঁ।
কিন্তু কোনো দুৰ্ভগীয়াই যদি কয় মই বিপদত পৰিছো, তেতিয়া মই কম - মই তোমাৰ লগতে আছো।


১৯৭৩-৭৪ চনৰ ছাত্ৰসন্থাৰ কাৰ্য্যকৰী সদস্য সকল :



বহি থকা ( বাওঁফালৰ পৰা ) কৃষ্ণকান্ত মহন্ত ( সাধাৰণ সম্পাদক ), নন্দৰাম দাস ( তত্বাৱধায়ক ছাত্ৰ জিৰণি কোঠা ), অধ্যাপক পবীন শৰ্ম্মা ( তত্বাবধায়ক ছাত্ৰ সন্থা ), অধ্যক্ষ গিৰিধৰ শৰ্ম্মা ( সভাপতি ), অধ্যাপক সুৰেণ শৰ্ম্মা ( তত্বাবধায়ক, সাধাৰণ খেলবিভাগ ), অধ্যাপক ৰবীন তালুকদাৰ ( তত্বাবধায়ক তৰ্ক বিভাগ ) ।

থিয় হৈ ( বাওঁফালৰ পৰা ) কৰুণা কাকতি ( সম্পাদক, সাধাৰণ খেলবিভাগ ), সুভাস ডেকা ( সঃ ব্যায়াম বিভাগ ), প্ৰদীপ ফুকন ( সঃ তৰ্ক বিভাগ ), কুমাৰ অজয় নাৰায়ন দেৱ ( সঃ সাংস্কৃতিক বিভাগ ), সনাতন ডেকা ( সঃ সাহিত্য সন্থা ), কুমাৰী লক্ষী দাস ( সঃ ছাত্ৰী জিৰণি কোঠা ), মুকুট ৰহমান ( সঃ ছাত্ৰ জিৰণি কোঠা ), প্ৰশান্ত গোস্বামী ( সঃ সুকুমাৰ কলা বিভাগ ), জিতেন লহকৰ ( সম্পাদক আলোচনী ) ।

১৯৭৩-৭৪ চনৰ আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ সাধাৰণ সভাৰ সদস্য
আৰু তত্বাবধায়কদ্বয়ৰ একাংশ





**অভাৱে আবিস্কাৰৰ মূল :**


উক্ত কথাষাৰত আমাৰ মহাবিদ্যালয়ৰ কাৰ্য্যালয়ৰ মুৰব্বীৰ পৰা আৰম্ভ কৰি বিভাগীয় সম্পাদক সকলোৱে খুব ব্যস্ত হৈ পৰিছে। নহলে জানো প্ৰতিবেদন এবছৰেও দিব নোৱাৰেনে ? আনন্দৰ কথায়েই হ'লহেঁতেন যদিহে ছাত্ৰছাত্ৰী আৰু সৰ্ব্বসাধাৰণৰ কাৰণে ক্ষুদ্ৰ মাত্ৰ সৃষ্টি কৰিলেহেঁতেন।

**মানুহ মৰি ভূতহৈ যাওঁক :**

উক্ত কথাষাৰ এজন মনীষীৰ কথা। ইয়াকে শৰণি হিচাবে আমাৰ মনীষী সকলে লৈ ফাইলৰ মাজৰ যোগ-বিয়োগ, পূৰণ-হৰণ কৰাত ব্যস্ত। এওঁলোকে হ'ব পিছৰ ছাত্ৰনেতা, ডাঙৰ ডাঙৰ বিষয়া।

গতিকে আমাৰ ছাত্ৰবন্ধু সকল তথা সদৌ অসমৰ ছাত্ৰবন্ধু সকল যদি এই মুষ্টিমেয় এটম বোম তৈয়াৰ কৰোতাসকলৰ প্ৰতি আমি চোকা দৃষ্টি নিদিওঁ তেন্তে তেওঁলোকে আমাক শেষ কৰি দিব।

— সম্পাদক —




## প্ৰতিবেদন ঃ তৰ্কবিভাগ

মই মোৰ বিভাগৰ প্ৰতিবেদনৰ পাতনি মেলাৰ আগতে আমাৰ অতি আপোন আৰু চিৰ আদৰৰ মহাবিদ্যালয় খনিৰ ভবিষ্যত সৰ্ব্বাঙ্গীন উন্নতিৰ কামনা কৰি সমুহ ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু সকল আৰু লগতে সমগ্ৰ অসমবাসীকে এই অনুষ্ঠানটিক মৰমৰ চকুৰে চাবলৈ অনুৰোধ জনালোঁ।

আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয় তৰ্ক বিভাগৰ সেৱা কৰিবলৈ যিসকল ছাত্ৰ-ছাত্ৰী বন্ধুৱে মোক সুযোগকণ দিলে সেই সকললৈ এই প্ৰতিবেদনৰ আৰম্ভণিতে মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

তৰ্কবিভাগৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ দিনা এই গুৰু বিভাগটি সু-শৃঙ্খলিত ভাবে চলাবলৈ মই প্ৰতিশ্ৰুতি-বদ্ধ হৈছিলোঁ। নাজানো এই প্ৰতিশ্ৰুতি প্ৰকৃতাৰ্থত পালন কৰাত মই কিমানদুৰ কৃতকাৰ্য্যতা লাভ কৰিব পাৰিছিলোঁ। এটা জাতিৰ জাতীয় জীৱনত প্ৰকৃত সমাজ গঢ়াত আজিৰ ছাত্ৰ-ছাত্ৰী সকলৰ মৌলিক চিন্তা-ধাৰাৰ বিকাশত এই বিভাগৰ প্ৰভাৱ বিবদমান। সেয়েহে ভাবিছিলোঁ যে তৰ্কসভা আৰু আলোচনা চক্ৰ আদিৰ প্ৰতি সক্ৰিয় ছাত্ৰ-ছাত্ৰী সকলক ইতিহাসিক বস্তুবাদী ভাবধাৰাৰে অনুপ্ৰাণিত কৰি তেওঁলোকৰ সচেতনবাদী মনটোক অধিক দৃঢ়, সাহসী আৰু যুক্তিবাদী কৰি গঢ়ি তুলিম। কিন্তু বহুত চেষ্টা কৰিও এটা তৰ্ক সংঘ আমাৰ মহাবিদ্যালয়ত গঢ়ি তুলিব নোৱাৰাত মোৰ উক্ত প্ৰচেষ্টাক আংশিক ভাবেহে ৰূপ দিব পাৰিছিলোঁ।

এই দায়িত্ব লোৱাৰ অলপ দিনৰ ভিতৰতেই মহাবিদ্যালয়ৰ পঞ্চদশ বাৰ্ষিক মহোৎসৱ আৰু মহা-বিদ্যালয় সেৱা সপ্তাহৰ আয়োজনত বিশেষভাবে ব্যস্ত থাকিব লগীয়াত এখনহে পৰীক্ষামূলক তৰ্কসভা পতা হৈছিল।

মহোৎসৱৰ ভিতৰতে ইং ২২।১২।৭৩ তাৰিখে ৺ডঃ বাণীকান্ত কাকতি সোঁৱৰণী সদৌ গুৱাহাটী আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল।

বৃহত্তৰ গুৱাহাটীৰ এক বৃহৎ সংখ্যক মহাবিদ্যালয়ে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে। প্ৰথম বাৰৰ বাবে এইবাৰ উক্ত প্ৰতিযোগিতাত মাধ্যম অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাকে ৰখা হৈছিল। ডঃ কাকতিৰ পৰিয়ালবৰ্গই উক্ত প্ৰতিযোগিতাৰ বাবে আমাক এখন আটক ধুনীয়া ডাঙৰ শ্বিল্ড দিয়াত আমি উক্ত শ্বিল্ডখন সৰ্ব্বশ্ৰেষ্ঠ দলটোক পুৰস্কৃত কৰা হ'ল আৰু আগৰ বছৰৰ প্ৰথম পুৰস্কাৰ হিচাবে দিয়া শ্বিল্ডখন এইবাৰ দ্বিতীয় শ্ৰেষ্ঠ দলটোক পুৰস্কাৰ হিচাবে অৰ্পণ কৰা হ'ল। এই অনুষ্ঠানত অসম বিধান সভাৰ বিৰোধী পক্ষৰ দলপতি শ্ৰীযুত গৌৰীশঙ্কৰ ভট্টাচাৰ্য্যদেৱে অধ্যক্ষৰ আসন গ্ৰহণ কৰি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ বাবে মই তেখেতলৈ আমাৰ মহাবিদ্যালয়ৰ হৈ শলাগৰ শৰাই আগবঢ়ালোঁ। মোৰ কাৰ্য্যকালৰ ভিতৰত সকলোতকৈ উল্লেখযোগ্য এই উল্লেখিত অনুষ্ঠানটিক সকলো দিশৰ পৰা সাফল্যমণ্ডিত কৰি তোলাত মোৰ নিজস্ব অৱদান অতি সীমিত। এই প্ৰশংসাৰ পাত্ৰ-পাত্ৰী মোৰ মৰমৰ বন্ধুসকলহে।

মোৰ কাৰ্য্যকালৰ ভিতৰত আমাৰ মহাবিদ্যালয়ৰ প্ৰতিযোগী দলে—বি, বৰুৱা মহাবিদ্যালয়, বিশ্ববিদ্যালয় আইন মহাবিদ্যালয় আৰু যুৱ মহোৎসৱৰ উপলক্ষে গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃ কলেজ তৰ্ক প্ৰতিযোগিতা আদি সকলোতে সুখ্যাতিৰে অংশ গ্ৰহণ কৰে। অংশ গ্ৰহণকাৰী প্ৰতিযোগীসকল যথাক্ৰমে সৰ্ব্বশ্ৰী দেৱদত্ত সেন, হীৰক সেন, গৌৰাঙ্গ ঠাকুৰীয়া, মহম্মদ আলি আৰু যোগেশ বৰুৱাক মোৰ আন্তৰিক শলাগ জনালো। আইন কলেজত অনুষ্ঠিত সদৌ গুৱাহাটী প্ৰতিযোগিতাত শ্ৰীদেৱদত্ত সেন পুৰস্কৃত হয় আৰু তেৱেঁই বিশ্ববিদ্যালয় যুৱ মহোৎসৱত ব্ৰঞ্জৰ পুৰস্কাৰ লাভ কৰি সুখ্যাতি অৰ্জ্জন কৰে। এওঁলোকৰ কৃতীত্বত কলেজৰ সমূহ ছাত্ৰছাত্ৰীৰ লগতে ময়ো গৌৰৱ অনুভৱ কৰিছো।

তৰ্ক বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত ৰবীন তালুকদাৰ চাৰক মই বোধহয় জীৱনত পাহৰিব নোৱাৰিম। তেখেতে মোক কোনো কাম কাজতে অসুবিধাৰ সন্মুখীন হব দিয়া নাছিল। তেখেতৰ পৰিকল্পনামূলক সুপৰিচালনাত মোৰ সকলো কামেই আশা কৰাতকৈ অধিক বাস্তৱ মধুৰ হৈ উঠিছিল। মাননীয় অধ্যাপক সৰ্ব্বশ্ৰী দীনেশ বৰুৱা, পবীন শৰ্ম্মা, সুৰজিত বৰুৱা, গণেশ দাস, শিৱনাথ বৰ্ম্মণ আৰু উদয় দত্তদেৱে মোক সকলো অৱস্থাত যিকোনো পৰিবেশতে সদুপদেশ আৰু পৰামৰ্শ আদিৰে যথেষ্ট সহায় কৰিছিল। এই চিৰনমস্য শিক্ষাগুৰু সকলৰ ওচৰত মই চিৰকৃতজ্ঞ। মোৰ কামত যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক সহায় কৰিছিল তাৰ বাবে তেওঁসকললৈ মোৰ হিয়াভৰা ওলগ জনালোঁ।

আশা ৰাখিছোঁ মহাবিদ্যালয়খনিৰ এটি পূৰ্ণাঙ্গ গঠন আৰু অভাৱ অভিযোগৰ প্ৰতি মাননীয় অধ্যক্ষদেৱে প্ৰয়োজনীয় বিহিত ব্যৱস্থা গ্ৰহণ কৰি আমাৰ অনুষ্ঠানটিৰ উজ্জ্বল ভৱিষ্যতক আন্তৰিকতাৰে আদৰণি জনাব। অৰ্থৰ অভাৱত আৱশ্যকীয় বহুতো কাম আমাৰ ছাত্ৰ সন্থাই সুচাৰুৰূপে কৰিব পৰা নাই। গতিকে এই সকলো বিষয়ৰ প্ৰতি, এই প্ৰতিবেদনৰ সামৰণিত অধ্যক্ষ মহোদয় আৰু কলেজ কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

ধন্যবাদেৰে—

বিনয়াৱনত—

শ্ৰীপ্ৰদীপ ফুকন

সম্পাদক, তৰ্ক বিভাগ।

# সাধাৰণ ক্ৰিয়াবিভাগৰ সম্পাদকৰ প্ৰতিবেদন

## তমসো মা জ্যোতিৰ্গময় ।

আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ নিচিনা এক মহান পবিত্ৰ শিক্ষা অনুষ্ঠানৰ সাধাৰণ ক্ৰীড়া বিভাগৰ সম্পাদক হিচাবে মোৰ ওপৰত বিশ্বাস ৰাখি যি সকলে মোক জয়যুক্ত কৰিছিল তেওঁলোকৰ লগতে নিৰ্ব্বাচক মণ্ডলীৰ ওচৰত মই চিৰকৃতজ্ঞ ।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিচৰে পৰাই কামবোৰ নিখুত ভাবে কৰি যাবলৈ বিচাৰিছিলো যদিও তাৰ মাজতেই নানান দোষ ত্ৰুটি হৈ যোৱা স্বাভাবিক । মোৰ এই অনিচ্ছাকৃত দোষ ত্ৰুটিৰ বাবে আটাইৰেই ওচৰত ক্ষমা চাইছো । যাহওঁক, মোৰ কাৰ্য্যভাৰৰ ১৯৭৩-৭৪ চনৰ বছৰটো ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক অধ্যাপিকা সকলৰ সহায় আৰু সৎ উপদেশেৰে কেনেদৰে পাৰ কৰিলো ; তাৰ এটি চমু বিৱৰণ আপোনালোকৰ ওচৰত দাঙি ধৰিছো ।

পোনতেই মহাবিদ্যালয়ৰ খেলপথাৰখন খেলোপ-যোগী কৰি তুলিবলৈ যত্ন কৰিলো । কিন্তু এনহীয়া চেষ্টাত সকলো সম্ভৱ নহয় । লগে লগে খেলপথাৰলৈ যাবলৈ এটা নতুন ৰাষ্টা বনোৱা হ'ল । তাৰ কিছুদিনৰ পিছতেই অৰ্থাত ১৭ ডিচেম্বৰৰ পৰা ২৩ ডিচেম্বৰলৈ আৰম্ভ হ'ল পঞ্চদশ বাৰ্ষিক ক্ৰীৰা মহোৎসৱ আৰু মহাবিদ্যালয় সেৱা সপ্তাহ । ১৮ ডিচেম্বৰৰ ৰাতিপুৱা মহাবিদ্যালয়ৰ নিজা খেলপথাৰত ডাঃ প্ৰসন্ন গোস্বামী দেৱে পতাকা উত্তোলন কৰিলে—আৰু তাত বিশিষ্ট অতিথি স্বৰূপে অংশ গ্ৰহণ কৰিলে শ্ৰীযুত নবীন শৰ্ম্মা দেৱে । মাননীয় অধ্যক্ষ শ্ৰীযুত গিৰিধৰ শৰ্ম্মাদেৱে সভাপতিৰ আসন গ্ৰহণ কৰে । ১৮ আৰু ১৯ তাৰিখে Short distance run ৰ বাহিৰে বাকীবোৰ খেলৰ প্ৰতিযোগিতা শেষ কৰা হয় । এইখিনিতেই উল্লেখ কৰা উচিত হব যে ৪ ডিচেম্বৰত ১০,০০০ মিটাৰ দৌৰ আৰু ৬ ডিচেম্বৰত ৫,০০০ মিটাৰ দৌৰ প্ৰতিযোগিতা ক্ৰমান্বয়ে খানাপাৰাৰ পৰা উলুবাৰী চাৰি আলিলৈ আৰু দীঘলী পুখুৰীৰ চাৰিওঁপিনে শেষ কৰা হয় । উল্লেখ যোগ্য যে "আছে গৰু নবোৱাই হাল থকাতকৈ নথকায়ে ভাল" আমাৰ খেলপথাৰ খনৰও অৱস্থা তেনেই গতিকে কটন কলেজৰ খেলপথাৰ নিউফিল্ডত কিছু খেল শেষ কৰা হয় ।

সেইদিনাই দিনৰ ১০ বজাত অসমৰ আইনমন্ত্ৰী চৈয়দ আহমদ আলীৰ অনুপস্থিতিত অসমৰ শিক্ষামন্ত্ৰী শ্ৰীযুত হৰেন্দ্ৰ নাথ তালুকদাৰে মুকলি কৰে "বটাবিতৰণী সভা" । ভাষণত তেখেতে উৎসাহ উদ্দিপনা দিয়াৰ উপৰিও আৰ্য্যবিদ্যাপীঠ মহাবিদালয়ৰ খেল বিভাগটোৰ বাবে চৰকাৰৰ তৰফৰ পৰা সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰিম বুলি কোৱা কথাষাৰে আৰ্য্যসমাজক আশাবাদী কৰি ৰাখিছে । পুৰস্কাৰ বিতৰণ কৰে মাননীয় অধ্যক্ষ শ্ৰীযুত গিৰিধৰ শৰ্ম্মাদেৱে । উল্লেখযোগ্য যে এইবাৰ ক্ৰীড়া সমাৰোহৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে যথাক্ৰমে শ্ৰীতৰুণ চৰকাৰ আৰু শ্ৰীমতী তৃপ্তি বৰুৱাই ।

পঞ্চদশ ক্ৰীড়ামহোৎসৱৰ সামৰণিৰ পিছতেই আমি

দ্বিতীয়বাৰৰ বাবে সাজু হব লগা হ'ল তেজপুৰৰ দৰং কলেজৰ খেলপথাৰত পতা অষ্টাদশ আন্তঃ মহাবিদ্যালয় ক্ৰীড়া সমাৰোহৰ বাবে।

আজি গোটেই বিশ্বতেই খেলধেমালিয়ে পাঠ্য পুথিৰ অংশ হিচাবে স্বীকৃতি পাইছে। এনেহেন দিনতো খেল-ধেমালিৰ প্ৰতি আকৃষ্ট নোহোৱাটো বৰ পৰিতাপৰ কথা। মহাবিদ্যালয়ৰ এক চতুৰ্থাংশ ছাত্ৰ ছাত্ৰীয়েহে খেলৰ প্ৰতি মনযোগী। বাকীবোৰকো খেল-ধেমালীৰ প্ৰতি মনোনিবেশ কৰি খেলুৰৈ সমাজক উৎসাহ উদ্দিপনা দিবলৈ অনুৰোধ জনালোঁ। খুবেই উল্লেখযোগ্য আৰু আৱশ্যকীয় যে খেল-ধেমালীৰ বাবে প্ৰয়োজনীয় সা-সজুলি খিনি দিয়াৰ উপৰিও খেল পথাৰখন খেলোপযোগী কৰি দিয়ে। সাতোঁৰ প্ৰতিযোগিতাৰ বাবে আমাৰ পুখুৰী নাই; এই বছৰতেই ইযাৰ এটা সুব্যৱস্থা কৰিবলৈ অনুৰোধ জনালোঁ। বিশেষকৈ প্ৰকৃত খেলুৱৈ কেইজনক মহাবিদ্যালয়ৰ তৰফৰ পৰা মাচুল মাফ; আৰু Admission ৰ সময়ত নম্বৰৰ শিথিলতা কিছু কমাই দিবলৈ মই মহাবিদ্যালয় কৰ্তৃপক্ষক নতশিৰে অনুৰোধ জনাওঁ; যাতে অহা কলেজীয় বছৰত আমি দেখিবলৈ পাওঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালৰ সময়ছোৱাত মোক বিভিন্ন দিশৰ বিভিন্ন কামবোৰত দিহা-পৰামৰ্শ দি সহায় সহযোগ আগবঢ়োৱাৰ বাবে আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকা সকলৰ ওচৰত মই চিৰকৃতজ্ঞ। আগন্তুক সম্পাদকলৈ শুভেচ্ছা জনাই আৰু আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ সকলো দিশৰ পৰা উন্নতি কামনা কৰি মই মোৰ প্ৰতিবেদনৰ আজিলৈ সামৰণি মাৰিলোঁ।

—নমস্কাৰ—

শ্ৰীকৰুণা কাকতি
সম্পাদক, সাধাৰণ ক্ৰীড়াবিভাগ।

# সম্পাদক সঙ্গীত আৰু সাংস্কৃতিক বিভাগ

জয়জয়তে মোক সঙ্গীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকৰ পদৰ ভাৰ (১৯৭৩-৭৪ চনৰ) অৰ্পণ কৰাৰ বাবে আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰছাত্ৰী, বন্ধু-বান্ধৱী সকলক মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

সঙ্গীত আৰু সাংস্কৃতিক সম্পাদকৰ ভাৰ পোৱাৰ কেইদিনমান পাছতেই আমাৰ মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। গতিকে এটি বিৰাট আয়োজনৰ সন্মুখীন হব লগা হৈছিল। আমাৰ মহাবিদ্যালয়ৰ মঞ্চটো ইমান বছৰ অৰ্দ্ধসমাপ্ত হৈ আছিল। এইবছৰ মোৰ কাৰ্য্যকালত সঙ্গীত আৰু সাংস্কৃতিক বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত হেমন্ত চৌধুৰী আৰু অধ্যক্ষ শ্ৰীযুত গিৰীধৰ শৰ্ম্মাধেৰৰ আপ্ৰাণ চেষ্টাত সম্পূৰ্ণ হৈ উঠে। তাৰ বাবে মই ভাৰপ্ৰাপ্ত অধ্যাপক আৰু অধ্যক্ষ মহোদয়ৰ ওচৰত চিৰ কৃতজ্ঞ। অইন কেবছৰৰ দৰে এই বছৰো আমাৰ মহাবিদ্যালয়ত সঙ্গীত আৰু একাঙ্ক নাট প্ৰতিযোগিতা পতা হৈছিল। অইন কেইবছৰতকৈ এইবছৰ সঙ্গীত আৰু নাট প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা বেছি আছিল, নাট আৰু সঙ্গীত প্ৰতিযোগিতা উচ্চমানৰ হোৱা বুলি বিচাৰক মণ্ডলী আৰু দৰ্শকৰ পৰা মন্তব্য পাইছিলো। এই বছৰৰ পৰা নাট প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ পৰিচালকক ৺ব্ৰজেন বৰুৱা চলন্ত ট্ৰফী প্ৰদান কৰা হয়। (ট্ৰফীখন মহাবিদ্যালয়ৰ পৰা প্ৰদান কৰা হয়)। সঙ্গীত

আৰু নাট প্ৰতিযোগিতাৰ পুৰস্কাৰ সমূহ বিতৰণ কৰে ৺ব্ৰজেন বৰুৱাৰ পত্নী শ্ৰীমতী অণু বৰুৱাই। সঙ্গীত আৰু নাট প্ৰতিযোগিতাৰ সুবিচাৰ কৰি দিয়া বাবে মই বিচাৰক মণ্ডলী সৰ্ব্বশ্ৰী ক্ৰমে ৰামেশ্বৰ পাঠক, সুধীৰ মুখাৰ্জ্জী, পুষ্প কলিতা, দুলাল ৰয়, দিলীপ শৰ্ম্মা আৰু অনুপমা ভট্টাচাৰ্য্যলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। শেষৰ দিনাখন আমাৰ মহাবিদ্যালয় আৰু নিমন্ত্ৰিত অনাতাঁৰ শিল্পী সকলৰ সহযোগত এখনি সঙ্গীত সন্ধিয়াৰ আয়োজন কৰা হৈছিল। সঙ্গীত সন্ধিয়া মুকলি কৰে অধ্যাপিকা লক্ষহীৰা দাসে। সেইদিনাখনৰ সঙ্গীত সন্ধিয়াত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰছাত্ৰীকো আগভাগ দিয়া হৈছিল। উল্লেখযোগ্য যে ৰিদীপ দত্ত, সুধীৰ মুখাৰ্জ্জী, তনুজা ঠাকুৰীয়া, লক্ষহীৰা দাস, গুনজিৎ সিংৰ আধুনিক গীত, কন্যাচন বিহু সংবৰ পদ্ম বৰুৱা আৰু সঙ্গীবৃন্দৰ বিহু-হুচৰিয়ে দৰ্শকক আনন্দ দিব পাৰিছিল। তাৰোপৰি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীমান ইন্দ্ৰজৎ সিং আৰু প্ৰাক্তন ছাত্ৰ মহেশ বৰুৱাৰ আধুনিক গীত আৰু এই মহাবিদ্যালয়ৰ ছাত্ৰৰে গঠিত হাইজেকাচৰ সুৰ সমলয়, এই মহাবিদ্যালয়ৰে অধ্যাপক শ্ৰীযুত গণেশ দাস আৰু সঙ্গীবৃন্দৰ শাস্ত্ৰীয় সঙ্গীতৰ সুৰ সমলয় আৰু "কেণ্টিন পাৰ্টিৰ কৌতুকে ৰাইজক অতিকৈ ৰেখাপাত কৰিছিল। এইবছৰ মহাবিদ্যালয় সপ্তাহৰ আকৰ্ষণীয় আছিল অধ্যাপক মণ্ডলী আৰু ন-পুৰণি ছাত্ৰই অভিনীত কৰা নটসূৰ্য্য ৺ফণীশৰ্ম্মা ৰচিত পূৰ্ণাঙ্গ নাট "কিয়" নাটখনিৰ মঞ্চস্থ অতি সুন্দৰ হৈছিল। নাটখনিৰ পৰিচালনা কৰিছিল অধ্যাপক শ্ৰীযুত হেমন্ত চৌধুৰীয়ে। অভিনয়ত আছিল অধ্যাপক শ্ৰীযুত পবীণ শৰ্ম্মা, অধ্যাপক শ্ৰীযুত ৰবীন তালুকদাৰ, অধ্যাপক শ্ৰীযুত হেমন্ত চৌধুৰী, প্ৰাক্তন ছাত্ৰ দীনেশ দাস আৰু বহুতো।

ইমানতে মহাবিদ্যালয় সপ্তাহৰ অন্ত পেলালো, এই কামখিনি মই কেনেদৰে কৰিলো তাৰ ভালবেয়াৰ বিচাৰ আপোনালোকৰ ওচৰতে অৰ্পিলো।

ইয়াৰ পিছতে আহি পালে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় "যুৱ মহোৎসৱ", এইবাৰ আমাৰ মহাবিদ্যালয়ে যুৱ মহোৎসৱৰ সকলো প্ৰতিযোগিতাতে অংশ গ্ৰহণ কৰিছিলো। কিন্তু কেইজন মান প্ৰতিযোগীয়ে বিশেষ অসুবিধাৰ কাৰণে অংশ গ্ৰহণ কৰিব নোৱাৰিলে। তথাপিও শ্ৰীমতী চিত্ৰা দাসে ৰবীন্দ্ৰ সঙ্গীতত এটি ব্ৰঞ্জৰ পদক লাভ কৰে আৰু দলীয় নৃত্যত (বিহু) আমাৰ মহাবিদ্যালয়ে দ্বিতীয় শ্ৰেষ্ঠ দলৰূপে পৰিগণিত হয়।

মোৰ কাৰ্য্যকালৰ সময় ছোৱাত মোৰ হয়তো বহুতো ভুলভ্ৰান্তি হব পাৰে তাৰ বাবে মই ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত হেমন্ত চৌধুৰী চাৰৰ ওচৰত ক্ষমা মাগিছো। ১৯৭৩-৭৪ চনৰ সময় ছোৱাত মোক ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত হেমন্ত চৌধুৰী, অধ্যাপক শ্ৰীযুত পবীন শৰ্ম্মা, অধ্যাপক শ্ৰীযুত ৰবীন তালুকদাৰ, অধ্যাপক শ্ৰীযুত দিনেশ বৰুৱা আৰু অধ্যাপক শ্ৰীযুত নৰেশ্বৰ শৰ্ম্মা চাৰে মোক মোৰ কামৰ কাৰণে সহায় কৰিলে তাৰ বাবে মই তেখেত সকলৰ ওচৰত চিৰ কৃতজ্ঞ।

মই মোৰ কাৰণে সৌভাগ্য বুলিয়ে কব লাগিব যে মহাবিদ্যালয়ত মই এনে কিছুমান বন্ধু-বান্ধৱী পাইছিলো যিসকল বন্ধু-বান্ধৱীয়ে মোৰ সকলো ধৰণৰ কামতে সহায় সহানুভূতিৰে মোক আগবাঢ়ি যাবলৈ প্ৰেৰণা জনাইছিল তেখেতসকললৈ মোৰ আন্তৰিক ওলগ জনাইছো। বিশেষকৈ সুঁৰৰিছোঁ—প্ৰাক্তন ছাত্ৰ দীনেশ দাস আৰু মহেশ বৰুৱাদাক। তেখেতসকলৰ ওচৰত মই চিৰ ঋণী হৈ থাকিলো।

সদৌ শেষত আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা, ছাত্ৰছাত্ৰীলৈ ধন্যবাদ ও শুভেচ্ছা জনাই সঙ্গীত আৰু সাংস্কৃতিক সম্পাদক হৈ থকা কালছোৱাত অজানিতে যি ভুল কৰিছিলো তাৰ বাবে মই সকলোৰে ওচৰত ক্ষমা মাগিছো। শেষত সঙ্গীত আৰু সাংস্কৃতিক শাখাৰ উজ্জ্বল ভবিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

**কুমাৰ অজয় নাৰায়ণ দেৱ**
সঙ্গীত আৰু সাংস্কৃতিক সম্পাদক

# সুকুমাৰ কলা বিভাগ

তুলনামূলক ভাবে এইবাৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত সুকুমাৰ কলা প্ৰদৰ্শনী খনিয়ে বেছি সংখ্যক শিল্পী ছাত্ৰ-ছাত্ৰীক ঠাই দিব পাৰিছিল ( আন কেইবাৰৰ দৰে ছবিৰ অভাৱত প্ৰদৰ্শনী কক্ষৰ বিৰাট বিৰাট বেৰ কেইখন তথাকথিত অতিথি শিল্পীৰ যতে ততে সঘনে প্ৰদৰ্শিত আওপুৰণি ছবি কেইখনিৰে পূৰাই দিব লগা হোৱা নাছিল । ) আৰু সেয়ে হয়তো তুলনামূলক ভাবে এইবাৰ দৰ্শকৰ সংখ্যাও যথেষ্ঠ বেছি দেখা গৈছিল । সুকুমাৰ কলা বিভাগৰ সম্পাদক হিচাবে এই কথাত মই বিশেষ ভাবে গৌৰৱ অনুভৱ কৰিব পাৰো, কিয়নো বিশেষকৈ এই প্ৰদৰ্শনি খনি পাতিবলৈকে (?) প্ৰতিবছৰে মোৰ দৰে একোজনকৈ সম্পাদক নিৰ্ব্বাচন কৰা হয় ।

আন কেইবাৰৰ দৰে এইবাৰো এখনি Pencil drawing আৰু Embroidary' বিষয়ত Meet together প্ৰতিযোগীতা পতা হৈছিল ।

এইবাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ-মহোৎসৱৰ অন্তৰ্গত সুকুমাৰ কলা প্ৰতিযোগীতাত আমাৰ মহাবিদ্যালয়ৰে শিল্পী ছাত্ৰ আমিনুল হকে এটি স্বৰ্ণ আৰু এটি তাম্ৰ পদক অৰ্জন কৰি নিজ প্ৰতিভা আৰু পাৰদৰ্শিতাৰ চিনাকি দিয়ে । আমিনুলৰ এই সাফল্যত আমি গৌৰৱ অনুভৱ কৰিছো, তেওঁৰ উজ্জল ভৱিষ্যত কামনা কৰিছো । আৰু কেৱল এইবোৰ কৰিয়েই আমি ক্ষান্ত আছো । আমি এবাৰলৈও ভাবি চোৱা নাই ২৮ টকা দৰৰ কেনভাচত কমেও ৩ টকা দৰৰ প্ৰতিটোবিটউব ৰঙেৰে আমিনুলে কেইখন ছবি আঁকি ভৱিষ্যতৰ উজল পথেদি আগুৱাই যাব । উল্লেখযোগ্য যে আমাৰ মহাবিদ্যালয়ৰে জনৈক প্ৰতিভাশালী ছাত্ৰই এইবাৰ যুৱ-মহোৎসৱৰ অন্তৰ্গত সুকুমাৰ কলা ( ভাস্কৰ্য্য ) প্ৰতিযোগীতাত যোগদান কৰিও অংশগ্ৰহণ কৰাৰ পৰা বিৰত থাকিব লগাত পৰিছিল—আৰ্থিক অসুবিধাৰ বাবে । কথাটো মহাবিদ্যালয়ৰ উৰ্দ্ধতিন মহলৰ কাণ চোৱাইছিলো । সহাৰিহে পোৱা নগল । মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ সভাপতি মহোদয়ক টানি অনুৰোধ কৰা হল যাতে এনে ধৰণৰ আৰ্থিকভাবে অটনকীয়াস প্ৰতিভাশালী শিল্পী ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ৰ তৰফৰ পৰা কিছু সহায় সাৰথি লাভ কৰিবলৈ সক্ষম হয় ।

বিগত বছৰবোৰৰ বহুতো সম্পাদকে কৈ যোৱাৰ দৰে ময়ো কওঁ 'আমাক এটা Art Gallery লাগে', যদিও জানো মোৰ এই বিচৰাখিনি এখন পকী দেৱালৰ ওচৰত নিষ্ফল আৰ্ত্তণাদে মাথোন যত প্ৰতিধ্বনিত হৈ মোৰ কথাখিনি আকৌ মোৰ কাণলৈহে ঘুৰি আহে । তথাপিও মই কৈছো—'আমাক এটা আৰ্ট গেলাৰী লাগে, মোৰ পিছত ভবিষ্যতে হয়তো আৰু বহুতে কব । হয়তো এদিন আমাৰ সম্মিলিত কণ্ঠস্বৰে পকী দেৱালখন ক্ষয় নিয়াব—জন্ম দিব এটা পকী আৰ্ট গেলাৰীৰ । হে ভগৱান, সেই দিনটো যেন সোনকালে আনি দিয়া ।

এইটো স্বীকাৰ কৰিব লাগিব যে কিছু সংখ্যক ভাৰপ্ৰাপ্ত অধ্যাপক-অধ্যাপিকাৰ দায়িত্বহীনতা আৰু অভিজ্ঞতাহীন চিন্তাধাৰাই সেই বিভাগবোৰৰ সম্পাদক

সম্পাদিকা সকলক প্ৰায়েই বিমোৰ আৰু বিপদত পেলোৱা দেখা গৈছিল। ভাৰপ্ৰাপ্ত সকল কিছু অভিজ্ঞতা থকা হলে ভাল।

আমাৰ মহাবিদ্যালয়ৰ বাজেট্‌ৰ টকা-পইচা লেন-দেন কৰা বিৰক্তিকৰ আৰু অসুবিধাজনক নীতিটো সলোৱাৰ মোৰ বোধৰে সময় হল। আৰু প্ৰচলিত এই ঘুণেধৰা নিয়মৰ কাৰণেই এইবাৰ সুকুমাৰ কলা প্ৰতিযোগীতাৰ বঁটা বিতৰণীত অনিচ্ছাকৃত ভাবে পলম কৰিবলৈ বাধ্য হৈছিলো। তাৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা মাগিছো।

শেষত যিসকলে মোক এই গুৰু দায়িত্ব অৰ্পণ কৰিলে আৰু যিসকলে এই গুৰু দায়িত্ব চলাই যোৱাত হাতে কামে, উপদেশেৰে কিম্বা দুই-এষাৰ মিঠা মাতেৰে সহায় কৰিলে তেখেতসকললৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল। বিভাগটিয়ে যাতে ছাত্ৰ-ছাত্ৰী সকলৰ উজ্জল প্ৰতিভা বিকাশ হোৱাত সকলো প্ৰকাৰে সহায় কৰিব পাৰে তাৰ কামনাৰে।

প্ৰশান্ত গোস্বামী
সম্পাদক, সুকুমাৰ কলা বিভাগ।

# লঘু খেল বিভাগ

জয় জয়তে সেই সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো, যিসকলে আস্থা সহকাৰে অশেষ কষ্ট স্বীকাৰ কৰিও মোক এই বিভাগৰ সম্পাদক হিচাবে নিৰ্ব্বাচিত কৰি আপোনালোকক সেৱা কৰিবলৈ সুযোগ দিলে।

বৰ্ত্তমান খেলধেমালী শিক্ষাৰ অপৰিহাৰ্য্য বিষয়-বস্তু হৈ পৰিছে। কেৱল পাঠ্যপুথিৰ আবেষ্টনীৰ মাজতেই আবদ্ধ নাথাকি খেলাধুলাতো আত্মনিয়োগ কৰিব লাগে, মানসিক উৎকৰ্ষ সাধনৰ বাবে। আমাৰ মহাবিদ্যালয়ৰ কিছুমান খেল বিভাগত ছাত্ৰী খেলুৱৈৰ অভাৱ বাৰু-কৈয়ে দেখিবলৈ পোৱা যায়। প্ৰতিযোগিতাত সক-লোৱে পুৰস্কাৰ নাপায়। কিন্তু কেতিয়াবা পুৰস্কাৰ নোপোৱা প্ৰতিযোগীও দৰ্শকৰ প্ৰিয় হব পাৰে যদিহে খেলুৱৈ সুলভ মনোভাবেৰে খেল প্ৰদৰ্শন কৰিব পাৰে। এজন সুস্থ সবল খেলুৱৈ হবলৈ হলে শাৰীৰিক আৰু মানসিক দুয়োটাৰ প্ৰস্তুতি যথেষ্ট প্ৰয়োজন। দ্বিতীয়তে অনুশীলন। আমাৰ খেলুৱৈৰ মাজত এইটোৰ অভাৱ হেতুকে উন্নত ধৰণৰ খেল প্ৰদৰ্শন কৰিব নোৱাৰে। মহাবিদ্যালয়ৰ খেলপথাৰখন উন্নত ধৰণৰ হৈ উঠিলে আমাৰ এই অসুবিধা সমূহ দূৰ হব বুলি আশা কৰিব পাৰি।

এই বছৰো 'মহাবিদ্যালয় সপ্তাহ'ত আন্তঃশ্ৰেণী ভলিবল প্ৰতিযোগিতাখন পতা হয়। ইয়াত প্ৰায় সকলোবোৰ শ্ৰেণীয়েই যোগদান কৰিছিল। চূড়ান্ত খেলখন স্নাতকোত্তৰ মহলাৰ ২য় বাৰ্ষিক বিজ্ঞান (দিনৰ) আৰু প্ৰাঃ বিঃ বিদ্যালয়ৰ ২য় বাৰ্ষিক বিজ্ঞান (দিনৰ)ৰ মাজত অনুষ্ঠিত হয়। স্নাতকোত্তৰ মহলাৰ দ্বিতীয় বাৰ্ষিক বিজ্ঞানে জয়লাভ কৰে। খেলখন পৰিচালনা কৰে জিঃ টিঃ চিঃৰ খেলুৱৈ অনন্ত তালুক-দাৰে শেষত অধ্যক্ষ দেৱৰ সভাপতিত্বত বহা বটাবিত-ৰণী সভাত মুখ্য অতিথি মাননীয় শ্ৰীযুত ধনজিৎ ত.লুকদাৰ (এডভোকেট) দেৱে খেলুৱৈৰ মাজত বটা প্ৰদান কৰে।

'বেডমিণ্টন প্ৰতিযোগিতা'ত এইবাৰেই আটাইতকৈ বেছি লৰাৰ প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল আনফালে মহাবিদ্যালয়ৰ ছাত্ৰীসংখ্যা অনুপাতে ছাত্ৰী প্ৰতিযোগীৰ সংখ্যা তেনেই তাকৰ আছিল। এই বটা বিতৰণী সভাত মাননীয় অধ্যক্ষৰ সভাপতিত্বত বহা সভাত মুখ্য অতিথি অধ্যাপক সুৰেণ বৰুৱা (গুৱাহাটী বিশ্ববিদ্যালয়) দেৱে বটা বিতৰণ কৰে।

এই বছৰ তেজপুৰত অনুষ্ঠিত হোৱা "আন্তঃ মহাবিদ্যালয় ক্ৰীড়া মহোৎসৱত" আমাৰ বিদ্যালয়ে 'বেডমিণ্টন' আৰু 'লন টেনিচ' প্ৰতিযোগিতাতো অংশ গ্ৰহণ কৰিছিল য'ত নেকি লৰাৰ বেডমিণ্টন দলে "কোৱাটাৰ ফাইনেল" খেলৰ সুযোগ পাইছিল। ছাত্ৰীৰ ফালৰ পৰা উপযুক্ত খেলুৱৈৰ অভাৱত 'বেডমিণ্টন প্ৰতিযোগিতা'ত যোগদান কৰা নহল। আগলৈ এই অসুবিধা দূৰ হব বুলিয়ে আশা কৰিলো।

সামৰণিত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ছাত্ৰসন্থাৰ সভাপতি মাননীয় শ্ৰীযুত গিৰিধৰ শৰ্ম্মা দেৱক আন্তৰিক কৃতজ্ঞতা জনালো। মোৰ এই গুৰু দায়িত্ব পালনত যথেষ্ট সহায় সহযোগ আৰু উপদেশ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যাপক, গিৰীশ শৰ্ম্মা, দীনেশ বৰুৱা, সুৰেণ শৰ্ম্মা আৰু মোৰ বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক অনিল দেৱৰ ওচৰত মই চিৰকৃতজ্ঞ লগতে মোক সকলো ফালৰ পৰা সহায় কৰি দিয়া বাবে বন্ধুবৰ ডানকান, দেবেন, নলিনী, ৰবীন, সুনীল ৰঞ্জন, জয়ন্ত, মদন, ধীৰেণ, ধৰণী, লক্ষী, ভানু, অৰুণ, আৰু মহাবিদ্যালয়ৰ ছাত্ৰাবাসৰ ছাত্ৰসকলক কেতিয়াও তথা ব্যক্তিগত জীৱনতো পাহৰিব নোৱাৰিম।

সৰ্ব্বশেষত মৰমৰ এই অনুষ্ঠানটিৰ আৰু আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰসন্থাৰ দীৰ্ঘ জীৱন আৰু উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ বিভাগীয় প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ধন্যবাদ
মুনীন পাটোৱাৰী
সম্পাদক, লঘু খেল বিভাগ।
আঃ মঃ বিঃ ছাত্ৰসন্থা।

## গুৰু খেল বিভাগ

জয়জয়তে মই আন্তৰিক কৃতজ্ঞতা জনাইছো যি সকলে মোক আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ দৰে এখন মহৎ অনুষ্ঠানৰ গুৰু খেল বিভাগৰ সম্পাদক হিচাবে জয়যুক্ত কৰাত। সম্পাদক হোৱাৰ ইচ্ছা মোৰ কেতিয়াও নাছিল। জীৱনত কলেজত ভৰি দিয়েই কিছুমান ভয়, সঙ্কোচবোধ কৰিছিলো। কিন্তু এই আটাইবিলাক ভয়, সঙ্কোচ বাদ দি মই মোৰ কৰ্ত্তব্যত অগ্ৰসৰ হৈছিলো। মই মোৰ কাৰ্য্য কালত কিমান দূৰ আগবাঢ়িলো সেইয়া আপোনালোকৰ হাততেই এৰি দিলো।

কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই মই ক্ৰিকেট খেলৰ অনুশীলনী আৰম্ভ কৰিছিলো। তাৰ পিছতে আৰম্ভ কৰিছিলো আন্তঃ শ্ৰেণী ফুটবল প্ৰতিযোগিতা। খেল পাতিছিলোহে কিন্তু খেলপথাৰ ক'ত? কলেজৰ ওপৰ মহলালৈ এই বিষয়ে দৃষ্টিগোচৰ কৰিলো কিন্তু উত্তৰ

আহিছিল বিপৰীত ধৰণেৰে – খেল পথাৰ নাই আমি কি কৰিম ? মই উপায় বিহীন হৈ পৰিছিলো কি কৰিম এতিয়া ? মনত পৰিছিল কটন মহাবিদ্যালয়ৰ খেল পথাৰ নিউ ফিল্ডলৈ। লগে লগে তালৈ ঢাপলি মেলিছিলো। কটন মহাবিদ্যালয়ৰ কাষলৈ গৈ কাকুতি-মিনতি কৰাত তেওঁ মাত্র তিনিদিনৰ বাবে খেল পথাৰ খন দিবলৈ মান্তি হ'ল। "নাই মোমাইতকৈ ক'ণা মোমাইয়ে ভাল" এই বুলি ততালিকে তাৰ পৰা আহি আমাৰ মহাবিদ্যালয়ৰ যাবতীয় সকলো বিলাক কাম কাজ কৰি মাত্র তিনিদিনৰ ভিতৰতে খেলখন পাতিবলৈ স্থিৰ কৰিছিলো। কেইবাখনো খেলক walk over দিয়া হৈছিল। চূড়ান্ত খেলখন অনুষ্ঠিত হৈছিল প্রাক্ বিশ্ববিদ্যালয় ১ম বাৰ্ষিক বিজ্ঞান শাখা আৰু নৈশ শাখাৰ মাজত। খেলৰ আৰম্ভণীতে সন্মানিত অতিথি শ্ৰীযুত পুলিন দাস দেৱক খেলুৱৈ সকলৰ লগত চিনাকি কৰি দিয়ে। বটা বিতৰণী অনুষ্ঠানত সভাপতিত্ব কৰে অধ্যক্ষ দেৱে। এই খেলত জয়ী হয় প্ৰাক্ বিশ্ববিদ্যালয়ৰ ১ম বাৰ্ষিক বিজ্ঞান শাখাৰ দলটিয়ে।

ইয়াৰ পিচতে আৰম্ভ কৰিছিলো ক্রিকেট খেলৰ অনুশীলনী। কিন্তু অতি দুখৰ কথা যে কেইজনমান নিৰ্দিষ্ট খেলুৱৈৰ বাহিৰে খেল পথাৰত আন কাকো দেখা নেযায়। ইয়াৰ দ্বাৰাই প্ৰমাণ হয় যে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল এই বিষয়ত সিমান উৎসাহী নহয়। ইয়াৰ পিছত আৰম্ভ হৈছিল আন্তঃ মহাবিদ্যালয় ক্রিকেট প্রতিযোগিতা। প্রথমখন খেলত আমি নলবাৰী মহাবিদ্যালয়ৰ লগত walk over পাওঁ। ২য় খন খেলত ধুবুৰীৰ B. N. College ৰ লগত জয়ী হৈ তৃতীয়খন খেল গুৱাহাটি বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শাখাৰ লগত খেলিবলৈ সুবিধা পাইছিলো। কিন্তু দুখৰ বিষয় আমি পৰাজয় বৰণ কৰিব লগাত পৰিছিলো। এইদৰে পাৰ কৰি দিছিলো আন্তঃ মহাবিদ্যালয় ক্রিকেট প্রতিযোগিতা।

কিছুমান কথা নকলে যে শান্তি নেপাম। আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় এখন অসমৰ ভিতৰতে লেখত লবলগীয়া অনুষ্ঠান। কিন্তু এনেকুৱা মহাবিদ্যালয়ৰ খেল পথাৰখনৰ অৱস্থা বৰ দুখ লগা। বছৰৰ প্ৰায় ভাগ সময়ে পানীৰে ভৰপূৰ হৈ থাকে। আৰু আন সময়ত ই খেলৰ সম্পূৰ্ণ অনুপযোগী। এইবাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ হৈ মই ভৱিষ্যতে এই খেল পথাৰ খনৰ আশু উন্নতিৰ শুভ কামনা কৰিলো। সকলো বিলাক বস্তুৰে এটা নিজস্ব চৰ্চা লাগে। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে কলেজ সপ্তাহৰ বাদে আন সময়ত কোনো খেলৰ চৰ্চা নকৰে। ভৱিষ্যতে এই বিষয়ত মনোযোগী হব বুলি আশা ৰাখিলো। আৰ্থিক সমস্যা কি সেইয়া সম্পাদক হলেহে ভালকৈ বুজিব পাৰে।

মোৰ এই কৰ্ত্তব্য কালত অধ্যাপক সৰ্ব্বশ্ৰী শ্ৰীযুত ফণী ডেকা, সুৰেণ শৰ্ম্মা, অনিল দেৱ, দেৱকৃষ্ণ ঘোষ আৰু বিৰেন দাস চাৰে দিয়া উপদেশ আৰু সহায়ৰ বাবে মই কৃতজ্ঞ। মইযে মনত ৰাখিব লাগিব পূজনীয় ভ্রাতৃ প্ৰতীম গিৰীন্দ্ৰ কুমাৰ ঠাকুৰীয়াক, দেবেন ডেকাক, সুনীল দাসক, বিনোদ মজুমদাৰক।

মুল্যবান উপদেশ আৰু মোৰ কৰ্ত্তব্যৰ প্ৰতিখোজৰ পথ প্ৰদৰ্শক হিচাবে থকা বাবে চিৰনমস্য অধ্যক্ষ শ্ৰীযুত গিৰিধৰ শৰ্ম্মাদেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ধন্যবাদ ৰ'ল।

সম্পূৰ্ণ নতুন অভিজ্ঞতাৰে পৰিচালনা কৰিব লগা হোৱা কাৰণে মোৰ ভুল হোৱাটো স্বাভাৱিক। সেয়ে মোৰ অজানিত ভুলৰ বাবে অধ্যাপক তথা সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিলো।

শেষত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ভৱিষ্যত উন্নতিৰ উজ্জ্বল কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো। "জয়হিন্দ"।

অশেষ ধন্যবাদেৰে—

শ্ৰীলীলাময় দাস

সম্পাদক, গুৰুখেল বিভাগ।

# সাহিত্য সন্থাৰ বছৰেকীয়া প্ৰতিবেদন

আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ দৰে এটি পবিত্ৰ অনুষ্ঠানৰ ছাত্ৰসন্থাৰ অন্তৰ্গত "সাহিত্য সন্থা"ৰ সম্পাদক হিচাবে ১৯৭৩-৭৪ চনৰ বাবে যি সকলে মোক নিৰ্ব্বাচন কৰিলে তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সম্পাদক হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিচতে সদৌ অসম ছাত্ৰসন্থাৰ আহ্বানক্ৰমে প্ৰত্যেক কলেজত পতাৰ দৰে আমাৰ মহাবিদ্যালয়খনো এখন 'আলোচনা চক্ৰ' পতা হৈছিল। আলোচনাৰ বিষয় আছিল "দেশ তথা সমাজ গঠনত ছাত্ৰৰ ভূমিকা"। ইয়াত সভাপতিৰ আসন গ্ৰহণ কৰিছিল আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত গিৰিধৰ শৰ্ম্মা দেৱে।

মহাবিদ্যালয়ৰ পঞ্চদশ শতবাৰ্ষিকী আৰু কলেজ সেৱা সপ্তাহ উপলক্ষে তিনিদিনীয়া কাৰ্য্যসূচীৰে আলোচনা চক্ৰ পতা হৈছিল। প্ৰথম দিনাখনৰ আলোচনাৰ বিষয় আছিল "অসমীয়া বোলছবি আৰু ইয়াৰ ভবিষ্যত"। ইয়াত মুখ্য অতিথি হিচাবে যোগদান কৰিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক হীৰেণ গোহাই আৰু অংশ গ্ৰহণ কৰিছিল দুলাল ৰায় আদিয়ে। দ্বিতীয় দিনাখনৰ আলোচনাচক্ৰ "কৃষি অৰ্থনৈতিক সেউজ বিপ্লৱৰ ভূমিকা" উদ্বোধন কৰিছিল মেঘালয়ৰ উদ্যোগ মন্ত্ৰী নিকলচ ৰয় আৰু অংশ গ্ৰহণ কৰিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰসায়ন বিভাগৰ কেইজনমান অধ্যাপকে। তৃতীয় দিনাখনৰ বিষয় আছিল "সুষ্ঠ সমাজ ৰচনাত গান্ধী দৰ্শন।" উদ্বোধন কৰিছিল কটন মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত আব্দুস জেলিলে।

এখেতসকলে বহুমূলীয়া সময় নষ্ট কৰিও আমাৰ মাজত থিয় হৈ সুন্দৰ সুন্দৰ অভিজ্ঞতাৰে আমাক এখোজ আগবাঢ়ি যোৱাত সহায় কৰিছিল।

## কৃতজ্ঞতা প্ৰকাশ

মোৰ কাৰ্য্যকালৰ আৰম্ভণিৰ পৰা শেষলৈকে সকলো কামতে সকলো প্ৰকাৰৰ দিহা পৰামৰ্শ আগ বঢ়াই সকলো কাম সুকলমে চলাত সহায় কৰা বাবে আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু বৰ্ত্তমান আইন মহাবিদ্যালয়ৰ ছাত্ৰ মহেশ দাক (মহেশ বৰুৱাক) মই আন্তৰিকতাৰে সুঁৱৰিছো। দ্বিতীয়তে সুঁৱৰিছো আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত গিৰিধৰ শৰ্ম্মা দেৱ লগতে অধ্যাপক নলিনীধৰ ভট্টাচাৰ্য্য, (ভাৰপ্ৰাপ্ত অধ্যাপক) সুৰেন শৰ্ম্মা, গণেশ দাস, পবিন শৰ্ম্মা, পূৰ্ণিমা দাস প্ৰমুখ্যে ভালে কেইজন শিক্ষাগুৰুক।

লগতে যিসকল বন্ধু-বান্ধৱীয়ে মোৰ লগত সহযোগ কৰিছিল তেখেতসকল হ'ল—জিতেন, ৰমেশ, অঞ্জন, বিনোদ, ৰঞ্জন, অনিতা, ৰূপালী, অনিমা, মেনেকা।

শেষত আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয় উন্নতিৰ পথত দোপকদোপে আগবাঢ়ি যাওক। ইয়াকে পৰমেশ্বৰৰ ওচৰত কামনা কৰি সমূহ ছাত্ৰ-ছাত্ৰীৰ মৰমৰ ঋণী হৈ থাকিলো।

সনাতন ডেকা
সম্পাদক, সাহিত্যসন্থা।